ব্লগ অসম

# কোনো ক্ষোভ নাই

(এক চুটি গল্পৰ সঙ্কলন)

শীলভদ্র

# কোনো ক্ষোভ নাই

আৰে নহয় হে। বয়স লৈ কি কথা ? যি কোনো মানুহৰে এনেকুৱা হ'ব পাৰে। ডেকা ল'ৰা এজনেও পিছল খাই পৰিব নোৱাৰে জানো ? তেনেহ'লে ? বলেন, হৰেন, ইহঁত সুৰমায়া থিয়েটাৰ চাব ওলাইছিল। ময়ো গ'লো। বহুত দিন ভাল থিয়েটাৰ এখন চোৱা নাই। বেচ লাগিল। বৰ ভাল লাগিল।

ৰাতি পথাৰৰ মাজেৰে উভতি আহোঁতে নলা এটা পাৰ হ'ব লগা হ'ল। বলেনহঁতে জাপ মাৰি মাৰি পাৰ হ'ল। মোক ক'লে - "ককা, নলাত পানী নাই। নামক আপুনি। নামিয়েই পাৰ হওঁক।"

কিয় হে ? কিয় লাগিছে নামিবলৈ ? দুই হাত বহল নলাটো মই জাপ মাৰি পাৰ হব নোৱাৰা হৈছো নে ? ইমান অথৰ হ'লো নে ?

মাৰিলো এটা জাপ। বলেনহঁতক দেখুৱাবৰ কাৰণে ভালকৈয়ে মাৰিলো জাপটো। নলা পাৰ হৈ তিনিহাতমান দূৰতেই পৰিলো। কিন্তু কপাল বেয়া। কল-পটুৱা নে কি এটা পচি গেলি আছিল। পৰিবি তো পৰ তাতেই পৰিল এখন ভৰি। চিলিককৈ পিছল খাই পৰিলো। কঁকালত দুখ পালো, মূৰতো এটা খুন্দা খালো।

বলেনহঁতে টানি তুলিলে। কলে - "দুখ পালে নেকি, ককা ?"

"নাই পোৱা ?"

নাই পোৱা বুলি কলে কি হব। থিয় হবলৈয়ে টান পাইছো। বলেনহঁতে ধৰিমিলি ঘৰত থৈ গ'ল। কাকো একো নকৈ মনেমনে শুই থাকিলো। কঁকালৰ বিষটো ক্ৰমাৎ বাঢ়ি যাবলৈ ধৰিলে। আয়োডেক্চ আছিল। তাকেই অলপ মালিচ কৰিলো। একো নহ'ল। বিষটো বাঢ়িহে গ'ল। অনিচ্ছাসত্বেও কেঁকাবলৈ আৰম্ভ কৰিলো।

ৰাতিপুৱা ডাঙৰ বোৱাৰীয়ে সুধিলে - "কি হল ?" ল'ৰাহঁতেও আহিল। একেটাই প্ৰশ্ন - "কি হ'ল ?" কিনো কওঁ ? পিছে কব লাগিল। বলেনহঁতেও কলে। ডাঙৰ ল'ৰাজনে কলে - কঁকাল-চকাল ভাঙি এই বুঢ়া বয়সত কি এটা জঞ্জাল। যাচোন বাপধন, বৰুৱা ডাক্তৰক মাতি আন গৈ।

মহা জুলুম। ডাক্তৰৰ আগত নো মানুহে কি বুলি কয় ? বুঢ়া মানুহ এজনে জাপ মাৰিব লাগিছিল নো কিয় ? কিমানদিন যে দুৰ্ভোগ আছে কোনে জানে ?"

মই নো কেনেকৈ বুজাওঁ। দুই হাত বহল নলা এটা জাপ মাৰি পাৰ হোৱাটো মোৰ কাৰণে একোৱে নহয়। জাপ মৰাৰ কাৰণে পৰা নাই, পিছল খাইহে পৰিছো। জাপ আৰু পিছলাৰ প্ৰভেদ বুজাও কেনেকৈ ? বুজালেও বুজিব জানো ? এই হ'ল বিপদ। পিছল খাই যি কোনো মানুহে পৰিব পাৰে। জাপ নামাৰিলেও পৰিব পাৰে। ৰাতি থিয়েটাৰ নোচোৱাকৈয়ো পৰিব পাৰে।

ডাক্তৰে চাই-চিতি বিশেষ একো হোৱা নাই বুলি কলে। ডাঙৰবোৰৰ উৎকণ্ঠা কমি খং আৰু বিৰক্তি বাঢ়িল। মোক চাবলৈ অহা মানুহেও বেচ এটা মজাৰ ঘটনা চাবলৈহে যেন আহিবলৈ ধৰিলে। অখিল ৰাজখোৱাই আগতে জানিও সৰু বোৱাৰীজনীক গহীনাই সুধিলে - "কিনো হৈছিল ? কেনেকৈনো কঁকালত দুখ পালে ?" বোৱাৰীজনীয়ে ফিচিংকৈ হাঁহি পেলালে।

বাৰু, মইনো কি কৰো ? ঘৰটোৰ ভিতৰতে হাতভৰি গোটাই গহীন হৈ বহি থাকিলেহে হৈছে। মোৰ খেল-ধেমালিত চখ, গান বাজনাত চখ, অলপ গল্প-আড্ডাত চখ। প্ৰত্যেকটো কথাতে ঘৰৰ সকলোৰে ঘোৰ আপত্তি। বোৱাৰীহঁতে কোৱাকুই কৰে - "আই থকা হলে ঠিকেই থাকিল হয়। ইমানটো উড়ুগুালি কৰি ফুৰিব নোৱাৰিলে হয়।"

পিছে অন্যায়টো মই কি কৰিছো, একো বুজি নাপাওঁ। অকাম-কুকাম একো কৰা নাই, মদ ভাং খাই ফুৰা নাই। মোৰ দোষটো ক'ত ?

ঘৰৰ নাতি নাতিনী কেইটাই আজি কিমান দিনে ভাল মাছ এডোখৰ মুখত দিয়া নাই। খাবলৈ বহি সকলোৱে মুখত ভোৰভোৰায়। কামত একো নাই। চাৰেংখোলাত মাছৰ মহল। চৈধ্য মাইল মাত্ৰ বাট। আন্ধাৰে পোহৰে চাইকেলখন লৈ ওলাই গলো। ন মান বজাত প্ৰকাণ্ড ৰৌ মাছ এটা আনি চোতালত পেলাই দিলো। নাতি নাতিনী কেইটাই ফূৰ্তিত কিৰিলি মাৰি উঠিল। ডাঙৰ বিলাকৰ মুখবোৰ গম্ভীৰ হ'ল। দেখ্‌খিব নোৱাৰো। ফেচাহঁত।

“বুঢ়া মানুহে নো চাইকেল মাৰি কিয় ইমান দূৰ যাব লাগিছিল ? ডাঙৰ মাছ নাখালে নো কি হয় ? ইমান নো কিহৰ খক ?” বেটাহঁত। ল’ৰা-ছোৱালী কেইটাৰ মুখৰ ফালে নাচাব কিয় ? তহঁতৰ কি ? খোৱা-বোৱা তামোচা-ফুৰ্তি, এইবোৰৰ আনন্দ উপভোগ কৰাৰ শক্তি আছে নেকি কিবা তহঁতৰ ? গোমোঠা মুখ কৰি ৰৌমাছ মুখত দিয়াও যি কথা ঘাঁহ খোৱাও সেই কথা। পিছে ৰৌমাছ আৰু ঘাঁহৰ তফাৎ তহঁতে কিবা বুজি পাব জানো ?

থম্-থম্কৈ ঘৰত বহি থাকিলেহে ভাল। নহয় ? মই নোৱাৰো। তহঁতে ভালে পাব বা বেয়াই পাব। ঘৰটোত একো নকৰাকৈ বহি থাকিবলৈ হলে মোৰ উশাহ বন্ধ হৈ যাব। আগতেই ভাল আছিল দিয়ক। পঞ্চাশ বছৰৰ পিছত বানপ্ৰস্থ লব লাগিছিল। বৰ ভাল কথা আছিল। ঘৰৰ লগত সম্বন্ধ নাই। জংঘলৰ মাজত কেইজনমান বানপ্ৰস্থ লোৱা মানুহে একে লগ হৈ পাহাৰ বগাই ফুৰক কিম্বা হৰিণা পহুকে খেদি ফুৰক; কোনেও চাবলৈও নাযায়, একো মাতিবলৈও নাযায়। যি খুচি কৰি থাকক।

বাৰু, মইনো ইহঁতৰ কি কৰিছো ? কিনো পকা ধানত মৈ দিছো ? ফুটবল খেল চাবলৈ গৈছিলো। স্কুলৰ লগত মহামায়া ক্লাবৰ ফাইনেল খেল। স্কুলৰ টিমত মোৰ ডাঙৰ নাতিলৰা ধনেও খেলে। নাযাম চাবলৈ ? মাজু লৰাজনে বোলে খেল পথাৰত মোৰ উদ্ভণ্ডালি দেখি লাজতে গুচি আহিল। কিহৰ উদ্ভণ্ডালি, বোলো কিহৰ উদ্ভণ্ডালি ? চিঞৰ-বাখৰ কৰি ধনক অলপ উছাহ নিদিম ? সিদিনা লৈকে ফুটবল খেলি থকা মানুহ মই। লাগিলে এতিয়াও খেলিব পাৰো। ধনে যিটো গোল দিলে সেইটো গোল দিয়া সহজ কথা আছিল জানো ? সি এনেকুৱা এটা গোল দিয়াত মোৰ ফূৰ্তি নহব ? ছাতিটো ওলোটাই মূৰৰ ওপৰত দাঙি দুটা জাপ দিলোৱেই বা, কিনো জগৰ লাগিল ? তহঁতে কি বুজি পাবি ? ফূৰ্তি কৰাৰ শক্তি কিবা আছে নেকি ? আচলতে মনৰ যন্ত্ৰটোৱে বিকল হৈ গৈছে। আনক ফূৰ্তি কৰা দেখিলেও তহঁত আচৰিত হৈ যাব। সুখ-দুখ কোনোটোৱেই গভীৰভাৱে উপলব্ধি কৰাৰ শক্তি তহঁতৰ নাই। নিৰ্দিষ্ট জোখৰ বেচি একোকে গ্ৰহণ কৰিব নোৱাৰ। সেইহে তহঁতে জুখি জুখি হাঁহ, জুখি জুখি কথা কৰ, জুখি জুখি মৰম কৰ,

চকুপানীও জুখি জুখি টোক ? এইটোৱেই হেনো সভ্য সমাজৰ নিয়ম। নালাগে বোপাই। মই নোৱাৰো। মনত ফূৰ্ত্তি লাগিলে হো-হোৱাই হাঁহিম, দুখ পালে হুৰাও-ৰাওৱে কান্দিম। তহঁতে ভালেই পাৱ বা বেয়াই পাৱ।

"বুঢ়াটোৰ তেল চোৱা, কেনেকৈ জপিয়াই ফুৰে।" মই জপিয়ালো, কাৰ কি হল ? "বুঢ়া কালত ৰাঙৰ খাৰু, ডেকা হবলৈ কালুবিলু।" মানে মই ডেকাবোৰৰ লগত তাচ খেলো, বেডমিন্টন খেলো, এই লৈ বিদ্রুপ।

বয়স হৈছে। নাই হোৱা বুলিতো কোৱা নাই। কৈছো জানো ? তিনি কুৰি পাৰ হ'ল। তে ? কি কৰিব লাগিব ? বিছনাত পৰি কেঁকাই-গেঁথাই থাকিব লাগিব নেকি ? সেইটো কৰি থাকিলে সকলোৱে সন্তুষ্ট। নোৱাৰো। তেনেকৈ মই লোকক সন্তুষ্ট কৰিব নোৱাৰো।

ডেকাবোৰৰ লগত নুফুৰি কি কৰো? যোগেন শইকীয়া মোতকৈ পাঁচ বছৰে সৰু। অথৰ বুঢ়া সাজি বহি আছে। লগ পালেই কঁকালৰ বিষ, চকুৰ অসুখ, বুকুৰ ঢিপিং ঢিপিং, তাকে লৈ সাতকাণ্ড ৰামায়ণ গাব। কোনে এইবোৰ পেনপেননি-ঘেনঘেননি শুনি থাকে ? অসহ্য !

ভৈৰব হাজৰিকাৰ লগত অলপ সময় বহিলেই মূৰটো মোৰ গৰম হৈ যায়। নিজৰ ল'ৰা-ছোৱালী বোৱাৰী নাতি, সকলোৰে নিন্দা। বোৱাৰীয়ে ৰাতিপুৱা সাত বজাৰ আগতে টোপনিৰ পৰা নুঠে। চাহ খাওতে আঠ বাজি যায়। মুখ ধুই বোন্দাপৰ দি চাহ টোপাৰ কাৰণে ৰখি থাকিব লাগে। কিয় হে ? কিয় ৰখি থাকিব লাগে ? হাত নাই তোমাৰ। ৰখি থাকিব নোৱাৰা যদি চাহ কাপ নিজে কৰি খাব নোৱাৰা ? উঠক সিহঁতে যেতিয়া সিহঁতৰ সুবিধা। সাতে বাজক বা আঠে বাজক, তোমাৰ কি ? কেঁচুৱাৰ মাক। কেঁচুৱাৰ দিগদাৰিত ৰাতি কিজানি টোপনি নহয়। ৰাতিপুৱা উঠোতে অলপ দেৰী হবই।

তেওঁৰ লৰাহঁতে হেনো মাটি-বাৰী নাচায়। ইয়ে ইমান খালে সিয়ে সিমান খালে, তেওঁ নিজে চকু নিদিলে কোনোফালে একো নহয়। ঘৰৰো প্ৰত্যেকটো কথাত তেওঁৰ চকু দিব লাগে। সময়ত স্কুলৰ ল'ৰা-ছোৱালীৰ ভাত-পানী হ'ল নে নাই, বজাৰৰ বস্তু অনা হ'ল নে নাই, ৰাতি বাচন-বৰ্তন বাহিৰত কিবা পৰি থাকিল নেকি, দুৱাৰ খিড়িকীবোৰ মাৰা হ'ল নে নাই,

চাৰিওপিনে চকু দিব লাগে। আৰে বাদ দিয়া। ল'ৰা-ছোৱালী ডাঙৰ হৈছে। তুমি নো কিয় সকলো কথাতে লাগি ফুৰা ? সিহঁতে যেনেকুৱাকৈ চলে চলক। মাজতে তুমি নো কিয় ধমকি লগোৱা ? নিজৰো অশান্তি সিহঁতৰো অশান্তি। ভাল নালাগে। এইবোৰ কথা শুনি থাকিবলৈ মোৰ অলপো ভাল নালাগে। চাইছো। ল'ৰা-ছোৱালী যেতিয়া সৰু আছিল আমি চাইছো। এতিয়া সিহঁতে যেনেকৈ চলি ভাল পায় তেনেকৈ চলিবলৈ দিয়া। আমি কিবা অজৰ-অমৰ হৈ সদায় সিহঁতৰ সংসাৰ তুলি-তালি থাকিম নে ?

ৰাধিকা মহন্তই - তো মুখখন পাচি হেন কৰি বহি থাকে। কাৰ ঘৰৰ বোৱাৰীয়ে তেওঁক আগত দেখি মূৰত ওৰণি লোৱা নাই, কাৰ ল'ৰাই তেওঁ বাৰান্দাত বহি থাকোতেও চিগাৰেট হুপি হুপি আগফালৰ বাটেদি হন্ হন্ কৰি গুচি গ'ল সেই লৈ অভিযোগ। আগৰ দিনত ল'ৰা-ছোৱালীবোৰ এনেকুৱা নাছিল। বেচ, ভাল কথা। আজিকালিৰ ল'ৰা-ছোৱালীবোৰ বেয়া হ'ল, ডাঙৰক নমনা হ'ল। হেৰা, সেই লৈ তোমাৰ কি ? আনৰ কথা লৈ নিজৰ অশান্তি বঢ়াই ললে আনৰ কি ? নিজৰ মনটোকহে পোকে খাব। মোৰ এইবোৰ কথা ভাল নালাগে। অশান্তি বঢ়াই লব খুজিলে যিমান ইচ্ছা বঢ়াই লব পাৰি। পিছে ক্ষতিটো কাৰ ?

বুঢ়াবিলাকৰ লগত বহি পৰচৰ্চ্চা নকৰি গধূলি সময় ব্ৰীজ খেলো কাৰণে বাকীবোৰৰ মোৰ ওপৰত খঙ্। কৰা খঙ্। মোৰ কি ?

বাৰু, মইনো দুনিয়াৰ মানুহৰ কি কৰিছো ? চাৰিওপিনৰ পৰা মোক নো অথৰ কৰি পেলাবৰ কাৰণে সকলোৱে উঠিপৰি লাগিছে কিয় ? ইয়াৰ অৰ্থ কি ? পিচে মোক হলে বলে নোৱাৰিছে। মানুহৰ কথাক মই থোৰাই কেয়াৰ কৰো।

সকলো ঠাইতে একে কথা। চহৰত গৈছিলো। চিটি বাচত ভীৰ। বাচ ৰখাবই নোখোজে। বাচ ষ্টেণ্ডত এনেকৈ ৰৈ থাকিব লাগিলে হৈছে। এখন বাচ অহাৰ লগে লগে হেন্দেলত ধৰি জাপ মাৰি উঠিলো। বাচৰ সকলোৰে কি খঙ ! ভোৰভোৰাই উঠিল। বুঢ়া মানুহ এজনে এনেকৈ জপিয়াই উঠিব পায় নে ? পিছে ক'তা ? বুঢ়া মানুহ বুলি উঠাই লবৰ কাৰণে কাৰো দেখোন

খেয়াল নাই, বহিবলৈ দিয়াৰ কথা বাদেই দিলো। বাচ ষ্টেণ্ডত ভেবা লাগি থিয় দি থাকিলেহে হব। ভাল বুদ্ধি !

কিছুদূৰ গৈ বাচখন অলপ খালী হ'ল। বহিবলৈ পালো। মাজতে ছোৱালী এজনী কেঁচুৱা কোলাত লৈ উঠিল। কোনো এজনেও উঠি ঠাই এৰি নিদিলে। কেঁচুৱা কোলাত লৈ বাচৰ জোকাৰণিত বেচেৰীৰ কি কষ্ট ! নিৰ্বিকাৰ ভাৱে চাই থাকিব পাৰি নে ? কোনেও নুঠা দেখি মইয়েই উঠিলো। ছোৱালী জনীক কলো - "বহা, ইয়াতে বহা।" তাতেও মানুহৰ খং। কত ৰকমৰ টীকা-টিপ্পনী। "বুঢ়াৰ চিভালৰি চোৱা।" হেৰা, যি খুচি কোৱা। মই লোকৰ কথাত কাণ দিয়া মানুহ নহওঁ। যিখিনি কৰা দৰকাৰ বুলি ভাবো, কৰিমেই।

ভালে আছো। বেচ ভালে আছো। তিনিকুৰি বছৰ পাৰ হ'ল বুলি ভিতৰি ভিতৰি মৰাৰ ভয়ত পেপুৱা লাগি লোকৰ অশান্তি কৰি নুফুৰো। যেতিয়া মৰিম, মৰিম ! যিমানদিন জীয়াই আছো, জীয়াই থাকিম। অলপতে চাইকেল মাৰি বলেনহঁতৰ লগত গৈ ওচৰৰ চহৰখনত চাৰ্কাচ চাই আহিলো। ধনেও যাম বুলি ওলাইছিল। মাকে যাব নিদিলে। ইমানদূৰ চাইকেল মাৰি যোৱাৰ কোনো দৰকাৰ নাই। ইমান কচৰৎ কৰি চাৰ্কাচ নাচালেও হব। বোলো নহব কিয় ? কিটো নহলে নহয় ? ঘৰত বহি মুখ গোমোঠা কৰি থাকিলেও হব। তিৰিশ বছৰ নহওঁতে হাঁহিবলৈ পাহৰি যাবি বাছাহঁত। হাঁহিবলৈ গলে ওঠ ফাটি তেজ ওলাব, চাবি। ঘৰৰ কাৰো ওপৰত মই কৰ্তৃত্ব খটুৱাব নাযাওঁ। ল'ৰাহঁতে লিখা-পঢ়া শিকিছে, ডাঙৰ হৈছে। সিহঁতে যেনেকৈ চলি ভাল পায়, চলিব। দিহা-পৰামৰ্শ কিবা সুধিলে সমিধান দিম। বেয়া কিবা দেখিলে কম। শুনিলে শুনিব, নুশুনিলে নাই। মাতব্বৰি কৰিবলৈ যাম কিয় ? নিজৰ পাঠা-ছাগলী সিহঁতে নেজৰ ফালে কাটক বা মূৰৰ ফালেই কাটক। চাব নোৱাৰিলে নিজৰ চকু ঘূৰাই লম। বচ্ লেঠা খতম্।

মোৰ কিবা গাত শক্তি নাই, নে পাইচাৰ কাৰণে ল'ৰাহতৰ মুখৰ ফালে চাই থাকিব লাগে ? ফাকুৱাৰ দিনা মই ৰঙ খেলি আহিলো। খেলিম – তো। তহঁতৰ কি ? তহঁতে হেনো মানুহৰ আগত মুখ দেখুৱাব নোৱাৰা হৈছে। কিয় হে ? তহঁতৰ মুখত ছাই সানি দিছে নে কিবা ? লাজ লাগে যদি মোক

পিতা বুলি পৰিচয় নিদিবি। সেইবুলি মোক ঘৰত বন্ধ কৰি থৈ মাৰি পেলাব নোৱাৰিবি। যিদিনা মৰিম, ভালকৈয়ে মৰিম। একদম শেষ। অইনে কোৱাৰ দৰে - "মৰিলে শান্তি পাওঁ; ভগবানে মোক মাৰি নলয় কিয় ?" - এইবোৰ এসোপা মিছা মাত মাতি ঘেন্‌ঘেনাই-পেন্‌পেনাই মানুহক আমনি দিবলৈ নাযাওঁ। হেৰ, ভণ্ডহঁত; মৰাৰ যদি ইমানে হেঁপাহ, এৰী কাপোৰেৰে ভালকৈ কাণ-মূৰ ঢাকি দুয়োবেলা ঘড়ী চাই চাই মকৰধ্বজ খাই থাক কিয় হে ?

মই ৰাজনীতিত নাই; সমাজনীতিতো নাই। কাৰো কথাতেই নাই। মানুহৰ পাচত লাগি ফুৰিবলৈ ভালো নাপাওঁ। সময়ো নাই। বহি বহি অমুকৰ ছোৱালী বেয়া হ'ল, তমুকৰ ল'ৰা অধঃপাতে গ'ল, এইবোৰ আলোচনা কৰাৰ সময় নাই। তাতকৈ বাৰীৰ আলু খেতিত মাটি চপাই দিলে কিছু কামৰ কাম হব।

বেচ আছো, ভালেই আছো। দুপৰীয়া ভাত পানী খাই ঘৰতে বহি বহি আমনি লাগিল। বৰশী লৈ লাওখোৱা বিলত মাছ ধৰিবলৈ ওলালো। বাহু মাছ পালো তিনিটা। এটা এক কিলোতকৈ বেচি হব কিজানি। উভতি আহোঁতে ষ্টেচনৰ কাষৰ বাটেৰে আহি আছো। কাষৰ পাজৰৰ গাওঁৰ মানুহৰ ট্ৰেনেৰে যাব লাগিলে আমাৰ ষ্টেচনটোতেই আহি উঠিব লাগে। ষ্টেচনৰ পৰা আৰম্ভ কৰি ৰেল লাইনৰ কাষে কাষে বহু দূৰলৈ লোহাৰ তাঁৰৰ বেৰ। হঠাতে চক্ খাই ৰৈ গলো। ৰেল লাইনৰ মাজত তিনি বছৰীয়ামান ল'ৰা এটাই শিলগুটি বুটলি বুটলি আপোনমনে খেলি আছে। কাষৰ গাওঁৰ পৰা মাক-পিতাকে বহুতো আগতেই ষ্টেচনত আহি পালে বোধহয়। প্লেটফৰ্মত ক'ৰবাত শুলে কিজানি। এই টলকতে ল'ৰাই এইখিনি পালেহি। কি যে হব ? অলপো দায়িত্ববোধ নাই। দূৰৰ পৰা আহিছে বোধহয়। ভাগৰ লাগিছে নিশ্চয়।

হঠাতে ভৰিৰ পৰা মূৰলৈকে মই জিকাৰ খাই উঠিলো। উজানৰ পৰা হুম্‌হুমাই ট্ৰেন এখন আহি আছে। ল'ৰাৰ কোনো ভ্ৰুক্ষেপ নাই। চিঞৰ-বাখৰ কৰি একো লাভ নাই। ল'ৰাৰ মূৰ দাঙি ইফালে-সিফালে চাবৰ সময় নাই। উপায় নাই। বুকু সমান ওখ বেৰ। জাপ মাৰি বেৰ পাৰ হওঁতে সোঁ-ভৰিখনত বেয়াকৈ দুখ পালো। তেতিয়া আৰু সিফালে মন-কাণ দিয়াৰ

সময় নাই। চৌঁতকৈ ল'ৰাটোক সিফালে আঁতৰাই দিয়াৰ লগে লগে ভৰিখন কিবা বেয়াকৈ, পাক খাই পৰি গলো। পিছৰ খিনি আৰু কব নোৱাৰো। মানে নিজৰ অভিজ্ঞতাৰ পৰা কব নোৱাৰো। পিছত হাচ্‌পাতালত লোকৰ পৰাহে জানিলো। ল'ৰাটোৰ একো হোৱা নাই। মোৰ সোঁ-ভৰিখন আঠুৰ তলৰ পৰা কাটি পেলাব লাগিল। ডাক্তৰক সুধিছো। নকল ভৰি লগাই চাইকেল চলাই ফুৰাত একো অসুবিধা নহয়। আৰু নো কি লাগিছে ? এতিয়া আৰু নিজে কিবা ফুটবল খেলিব যাম নে ? মেৰাথন দৌড়ৰ ফেৰ মাৰিব যামনে ? কেইদিনমান অভ্যাস কৰিলেই নকল ভৰি লৈ বাকী সকলো কামকে কৰিব পাৰিম। তেনেহলে নো চিন্তা কিহৰ ?

মাক-বাপেকে সদায় আহে। ল'ৰাটোক লৈ আহে। তজবৃজীয়া ল'ৰা। দেখি বৰ ভাল লাগে। মাক-বাপেকে মোৰ ভৰিখনৰ কাৰণে আক্ষেপ কৰে, উহ্-আহ্ কৰে। সিহঁতক ডাবি দি মনে মনে থাকিবলৈ কওঁ। মনে মনে কওঁ - "হেৰ, মোৰ বুঢ়া ফটা ভৰি খনৰ মূল্য বেচি নে তহঁতৰ ফুলহেন ফুটফুটীয়া ল'ৰাটোৰ মূল্য বেচি ? সামগ্ৰিক ভাৱে নাচাৱ কিয় ? আচলতে এইটো লাভৰ কথা নে লোকচানৰ কথা ? কথাষাৰ নুবুজ কিয় ? নে বুজিও চালাকি মাৰিব আহিছ ?"

মুখত এইবোৰ কথা নকওঁ। কলে লাজ পাব। ল'ৰাটোৰ সৈতে মাক আৰু বাপেকক দেখিলে কিন্তু বৰ ভাল লাগে। সম্পূৰ্ণ এখন চিত্ৰ। কোনো বিসঙ্গতি নাই। খুব ভাল লাগে। ছবিখন যে ফালি চিঙি যোৱা নাই সেই দেখি বৰ ভাল লাগে। বাপেকক কথা দিছো। "নিশ্চয় যাম। ভৰিখন লগাই চাইকেল চলাই ফুৰিব পৰা হলেই যাম। তোমালোকৰ ঘৰত গৈ সোণটোক চিলা উৰুৱা শিকাই দিম।"

ভৈৰৱ হাজৰিকাই কিবা কামত চহৰত আহিছিল। হাচ্‌পাতালত মোক দেখা কৰিছে। ভালে কৰিছে। গাওঁৰ মানুহ, খা-খবৰ লব, উত্তম কথা। কলে - "পিছে কিটো হ'ল ? শেষ বয়সত খোৰা হৈ তোমাৰ দেখোন দুৰ্গতিৰ সীমা নোহোৱা হল।"

মই তেওঁৰ ভুল ধাৰণা শুধৰাই দিবলৈ কলো - আৰে, নহয়। নকল ভৰি এখন লগাই ললে একো অসুবিধা নহব। আজিকালি এইবোৰৰ বহু

উন্নতি হৈছে। ডাক্তৰেও কৈছে। বৰুৱা ডাক্তৰজন বৰ ভাল মানুহ। তেওঁৱেই চব ঠিকঠাক কৰি দিয়াব।

হাজৰিকাই ভেকাহি মাৰি কলে - "এহ্ থোৱা হে। থৈ দিয়া তোমাৰ ডাক্তৰৰ কথা।"

গাওঁৰ লৰা-ছোৱালীৰ কুকীৰ্ত্তিৰ নতুন খবৰ কিছুমান দিলে। কাণ দুখন আছে যেতিয়া শুনিবই লাগিব।

হঠাতে তেওঁ মোক সুধিলে - "ক্ষতিপূৰণ কিমান পাবা ?" আচৰিত হৈ সুধিলো -"কিহৰ ক্ষতিপূৰণ ?"

অলপ ৰৈ তেওঁ আকৌ কলে - "পিছে, মইয়ো কওঁ চৌধুৰী। তুমি এজন বুঢ়া মানুহ। তোমাক নো কিহে পাইছিল ? এইবোৰ বীৰত্ব বাহাদুৰি দেখুৱাই ফুৰাৰ তোমাৰ জানো বয়স আছে ? বয়সৰ লগে লগে মানুহ সংযত হব লাগে। সঁচা কথা কলে বেয়া পাবা। কিন্তু এতিয়া এই শেষ বয়সত দুৰ্ভোগ ভুগিব কোনে ?"

হঠাতে মোৰ বৰ ক্লান্তি লগা যেন পালো। মুখখন ঘূৰাই চকু দুটা বন্ধ কৰি দিলো। চকু বন্ধ কৰাৰ লগে লগে ল'ৰাটোৰ হাস্যোদ্দীপ্ত মুখখন মানস দৃষ্টিৰ সন্মুখত উজ্জ্বল হৈ উঠিল। বৰ ভাল লাগিল। তৃপ্তিৰে মনটো ভৰি গ'ল।

মণিদীপ : জানুৱাৰী, ১৯৬৭।

# ক্ষোভ

কথা শুনি উৰ্মিলাৰ গাটো চিট্‌পিট্‌ কৰি উঠিল।

"মই নোৱাৰো। নিজৰ কেইটাক লৈয়ে মোৰ হাহাকাৰ। কলেজত পঢ়া ল'ৰা এজনক মই ঘড়ী-ঘণ্টা ধৰি ভাতপানী যোগাব নোৱাৰো। আপুনি যি কৰে কৰক। ঠাকুৰ চাকৰ ৰাখে যদি ৰাখক। মই হ'লে নোৱাৰো। কথাষাৰ আগতেই কৈ থলো।"

ৰাজেনৰো যে কথাটো বৰ ভাল লাগি আছে, তেনে নহয়। চক্ষুলজ্জাৰ খাতিৰত উপায় নাপাই 'হা-না'ৰ মাজতে কথাটো থৈ দিছে। গাৱঁলৈ যাওঁতে শশী-খুৰাই ধৰিলে তেওঁৰ সৰু-ল'ৰা শৰতক ঘৰত ৰাখি কলেজত পঢ়াবৰ কাৰণে। ৰাজেনে সুবিধা অসুবিধাৰ কথা কলে। শশীখুৰাই একেবাৰে ওলোটা ফালে গুচি গ'ল - "হব দিয়া, সিয়ো নো কোন ডাঙৰ মানুহৰ ল'ৰা ? কষ্ট কৰাৰ অভ্যাস তাৰো আছে। একো অসুবিধা নহয়।"

ৰাজেনে যেন শৰতৰ অসুবিধাৰ কথা ভাবিয়েই চিন্তিত হৈ উঠিছিল। পিছে উপায় নাই। শশীখুৰাই আগতে কিছুমান কাণ্ড কৰি বৰ জুলুমত পেলাই থৈছে। তেওঁ ৰাজেনক কলেজীয়া জীৱনত বহুত সহায় কৰিছে। সৰুতে দেউতাক ঢুকাইছে। শশীখুৰাৰ সহায় নহলে তাৰ পঢ়াই নহলহেঁতেন। মোমায়েকহঁতৰ অৱস্থা বেচ ভাল কিন্তু দুৱাৰ মুখত থিয় হৈ কোনেও এদিন এটা খবৰ কৰিবলৈ অহা নাছিল। কলেজত নাম লগাওঁতে, পৰীক্ষাৰ মাচুল দিওঁতে কেইবাবাৰো ধান বিক্ৰী কৰি শশীখুৰাই তাক উদ্ধাৰ কৰিছে। কামত সোমাই বি.এ. পৰীক্ষাৰ মাচুলখিনি ফিৰাই দিবলৈ যাওঁতে শশীখুৰাই যিটো কাণ্ড কৰিলে ৰাজেন হতবুদ্ধি হৈ গল। ইমান ঠাণ্ডা মেজাজৰ মানুহজনে খঙতে থৰথৰকৈ কঁপিবলৈ আৰম্ভ কৰিলে। "তোৰ বহুত টকা হৈছে, নহয় ? মোক টকা দেখুৱাব আহিছ ? কৰ, তেনেহলে হিচাব কৰ। গুৰিৰ পৰাই হিচাব কৰ। তোৰ বাপেৰে কাঠৰ কাৰবাৰ কৰিবলৈ ললে। মই হাক দিলো - নালাগে, নোৱাৰিবা। ধাৰত পোত গ'ল। ঘৰ-মাটি নীলাম হয়। ডেৰগাওঁৰ মাটি বিক্ৰী কৰি বাৰশ টকা যোগাৰ কৰি দিলো। কোনো ৰকমে ৰক্ষা পৰিল। কাগজো কিবা এখন লিখি দিছিল। মেয়াদ কেতিয়াবাই গ'ল।

পেৰাৰ তলত বিচাৰিলে ওলাবও পাৰে। বহ তেনেহলে, গোটেইখিনি হিচাব আৰম্ভ কৰ।”

ৰাজেনে কোনোৰকমে পলাই আহি ৰক্ষা পৰিল। সেই শশীখুৰাৰ লৰাক ৰাজেনে পোনে পোনে হাক দিয়ে কেনেকৈ ?

শৰতে কিন্তু ৰাজেনহঁতৰ ঘৰত বেচি দিন থাকিব নোৱাৰিলে। তাৰ উপস্থিতিত গোটেই ঘৰটোতে এনে এটা অশান্ত পৰিবেশৰ সৃষ্টি হল যে শৰতৰ পক্ষে তাত থকা অসহ্য হৈ পৰিল। এটা অনুচ্চাৰিত নিৰব ভৰ্ৎসনা, গোটেই ঘৰটোৰ এটা অস্বাভাবিক গাম্ভীৰ্য, মানুহক জুলুম কৰাৰ কাৰণে ভদ্ৰমনৰ সহজাত অপৰাধবোধ, এইবোৰে তাক অস্থিৰ কৰি তুলিলে। চোৰৰ দৰে কেইদিনমান থাকিয়েই মেচ এটাত গৈহে সি সহজ ভাৱে উশাহ লব পালে।

ডাঙৰ মামা বিনোদ বৰুৱাই খবৰ দিছে অহা দেওবাৰে ছিলঙলৈ যাওঁতে ৰাজেনহঁতৰ ঘৰত উঠিব, দুদিন থাকিবও। গুৱাহাটীত কিবা কাম আছে। ৰাজেন আৰু উৰ্মিলা দুয়ো ব্যস্ত হৈ উঠিল।

“এনেকৈ মুখে মুখে নহব। বহুত বস্তু আনিব লাগিব। লিষ্টি কৰি লওঁক। ক’ৰবাত কি এৰি থৈ আহিব, মইহে পিছত জুলুমত মৰিম।”

ৰাজেনে কাগজ পেঞ্চিল লৈ বহিল। উৰ্মিলাই কৈ গ’ল।

“খিড়িকীৰ পৰ্দা আকৌ কিয় ? আছে দেখোন।”

“যিহে পৰ্দাৰ অৱস্থা ! ফাটিচিটি একো নোহোৱা হৈ আছে। সমুখৰ কোঠাটোৰ পৰ্দা কেইখন অন্ততঃ সলাই দিব লাগিব। ভাল কথা, মগো দুটা আনিব।”

“মগ ? মগ কিয় ?”

“গাধোৱা আৰু পায়খানালৈ যোৱা মগ নালাগিব ? নাৰিকল তেলৰ ফুটা টিন দুটা মামাক ব্যৱহাৰ কৰিবলৈ দিব পাৰিনে ?”

“ইমানবোৰ যে জেম, জেলি, বিস্কুট, মাখন, ঘিউ, কনী আনিবলৈ দিলা, পইচাই কেনেকৈ জুৰিব ?”

"নুজুৰিলে কেনেকৈ হ'ব ? মামাই আমাৰ নিচিনাকৈ থাকিব পাৰিব নেকি ? ভালকৈ থকা খোৱাৰ অভ্যাস। দুদিন আহি থাকিব, কি দৰকাৰ কষ্ট দিয়াৰ মনুহজনক ?"

"এজন ঠিকাদাৰকো মাতি লৈ আহিম নেকি ?"

"কিয়? ঠিকাদাৰ কিয়?"

"মামাৰ দালানত থকা অভ্যাস। আমাৰ এই ভগাঘৰত থাকিব পাৰিব জানো ?"

"নালাগে দিয়ক একোকে আনিব। মোৰ কি ? মচুৰ দাইলৰ পানী আৰু আলু পিটিকা দি ভাত দিম।" উৰ্মিলাই সাউৎকৰে কোঠাৰ পৰা ওলাই গ'ল।

বস্তু হলে ৰাজেনে আটাইখিনিকে আনিলে। উৰ্মিলাক ক'লে - "চোৱাচোন, ভালকৈ ভাবিচিন্তি চোৱা। আৰু কিবা লাগিব নেকি ?"

উৰ্মিলাই কঁকালত চাদৰখন মেৰাই ঘৰদুৱাৰ চাফচিকুন কৰাত লাগি গ'ল। ৰাজেনক ক'লে - "আপুনিও বহি নাথাকিবচোন। ঘৰৰ চাৰিওপিনৰ জংঘলখিনিকেই অলপ চাফা কৰকচোন। এইটো এটা মানুহ থকা ঘৰ হৈ আছে নে ?"

বিচাৰ, বুদ্ধি, বিবেচনা, গোটেইখিনিয়ে কিবা লোপ পোৱা যেন হয়। বিনোদ বৰুৱা ৰাজেনহঁতৰ ঘৰত উঠিলে ঘৰৰ আটাইৰে গাত তত নোহোৱা হৈ পৰে। যি দুইচাৰি দিন থাকে ঘৰখনত একেবাৰে হুলস্থুল লাগি যায়। ৰাজেনে টকা ধাৰ বিচাৰি ঘূৰি ফুৰিব লগা হয়। উৰ্মিলা গোটেই দিনটো পাকঘৰত সোমাই থাকিবলগীয়া হয়। মামাৰ ঘৰত চাকৰ-বাকৰ আছে। তেওঁ হ'ল সদায় হুকুমৰ ওপৰত চলা মানুহ। মুখৰ পৰা কথাষাৰ ওলোৱাৰ লগে লগে কাম হয়। ৰাজেনৰ ঘৰত কামকৰা মানুহ নাই। গোটেইখিনি কামেই নিজে কৰিব লাগে। হুকুম কৰিলে যে ৰাজেনহঁতৰ কিবা অসুবিধা হব পাৰে সেই কথা তেওঁ ভাবিবই নোৱাৰে। যি কেইদিন তেওঁ থাকে তেওঁক লগ ধৰিবৰ কাৰণে মানুহ আহিয়েই থাকে। সিহঁতক চাহ জলপান তামোল যোগাওঁতে উৰ্মিলাৰ উশাহ লবৰ সময় নোহোৱা হয়। ল'ৰাকেইজনৰ স্কুললৈ যোৱা বন্ধ। আলপৈচান ধৰিবলৈ সিহঁতক লাগে। ঘৰত পানীৰ কল

নাই। ভাৰীয়ে পানী দিয়ে। হিচাবৰ পানী। নিজে হ'লে জুখিমাখি খৰচ কৰে কিন্তু মামাক গা-পা ধোওঁতে পানী অলপ বেচি লাগে। কাজেই দুপৰীয়া গা ধোৱা পানী অনাৰ কাৰণে ল'ৰা কেইটাক লগাই দিব লাগে। সিহঁতে কমকৈ দাণ্ডি সৰু সৰু বাল্টিৰে ৰাস্তাৰ কলৰ পৰা পানী লৈ আহে।

ল'ৰা কেইটাৰ অৱশ্যে এই লৈ কোনো অসন্তুষ্টি নাই। কাৰণ ঘৰত সেই কেইদিন এটা উৎসৱ যেন হয়। সিহঁতেও সেই কেইদিন একো টুকুৰা মাছ-মাংস মুখত দিবলৈ পায়।

আগতে উৰ্মিলাই সিহঁতক সেই চিৰন্তত দাইল ভাত খুৱাই উঠাই দিয়াৰ চেষ্টা কৰিছিল। কিন্তু বৰুৱাৰ আকৌ ল'ৰা-ছোৱালীৰ প্ৰতি মৰম বৰ বেচি যেন দেখা যায়। খোৱাৰ সময়ত লগতে লৈ বহে। কাজেই উৰ্মিলাই সিহঁতকো মাছ-মাংসৰ সমান ভাগ নিদিলেও অলপঅচৰপ দিবলগীয়াত পৰে। বৰুৱাই কয় - "দিয়া হে দিয়া, ইহঁতক দিয়া। মোক আৰু কিয় দিছা ? আচলতে ল'ৰা-ছোৱালীবোৰেহে খাব লাগে। আমাৰ আৰু কি খোৱা ? কোনোৰকমে এমুঠি হ'লেই হ'ল। বয়সো হৈছে। বেচিকৈ খাবও নোৱাৰো, সহ্যও নহয়।"

সেই বুলি তেওঁ কমো নাখায়, ভালেই খায়। ফলত খৰচৰ মাত্ৰা বাঢ়ি যায়। বস্তুও বেচিকৈ কিনিব লগা হয়। ৰাজেনে আধাভঙা চাইকেলখনত উঠি নতুনকৈ ধাৰ বিচাৰি হাবাথুৰি খাব লগা হয়।

ৰাতি উৰ্মিলা-ৰাজেন দুয়োৰে চকুত টোপানি নাহে। উৰ্মিলাৰ দিনটোৰ ভাগৰ, গাৰ বিষ, পিছদিনা মামাক কি খুৱাব তাৰে চিন্তা; ৰাজেনৰ চিন্তা ক'ত নতুনকৈ আৰু কেইটামান টকা ধাৰলৈ পোৱা যায়।

তেনেকৈ চাবলৈ হলে ৰাজেনহঁতৰ লগত বিনোদ বৰুৱাৰ সামাজিক সম্বন্ধ নাছিলও, নাইও। দুয়োঘৰৰ মাজত অহাযোৱা নোহোৱাৰ নিছিনা। কলেজত নাম লগাবৰ সময়ত ৰাজেনে আৰ্থিক অসুবিধাৰ কথা জনাই বিনোদ মামাক এখন চিঠি দিছিল। চিঠিখনৰ উত্তৰ এটাও নাপালে। ধুমধামকৈ মামাৰ ছোৱালীজনীৰ বিয়া হল, ৰাজেনক এক লাইন লিখি চিঠি এখন দিও খবৰ নিদিলে। মামাৰ ল'ৰা-ছোৱালীয়ে বা কি তাৰ খবৰো

ৰাজেনে নাজানে। কিবা কাৰণে সেই ঠাইলৈ গ'লেও মামাৰ ল'ৰাৰ ঘৰত উঠিবলৈ ৰাজেনৰ সাহস নহব। সম্বন্ধ এনেকুৱাই।

অথচ বিনোদ বৰুৱাই এম. এল. এ. হোৱাৰ পিছত বাৰে প্ৰতি ছিলঙলৈ অহাযোৱা কৰোঁতে ৰাজেনৰ ঘৰত উঠি ৰাজেনক কৃতাৰ্থ কৰিবলৈ লৈছে। ৰাজেনেও কৃতাৰ্থ হৈ তেওঁৰ সেৱাত লাগি গৈছে। উৰ্মিলায়ে বা কি মাতিব ? হাজাৰ হলেও ৰাজেনৰ মোমায়েক, তাতে আকৌ ডাঙৰ মানুহ। তাইৰ যে বিৰক্তি বিতৃষ্ণা নাহে, তেনে নহয়। ৰাজেনৰ উৎসাহ দেখি একো কবলৈ সাহস নকৰে। ল'ৰাকেইটাই অনবৰত মামাৰ লগতে লাগি থাকে। পানী আনি দিয়া, দোকানৰ পৰা ঘনাই ঘনাই চিগাৰেট আনি দিয়া, বাহিৰত নি চাহ তামোল যোগোৱা, ডাকঘৰলৈ যোৱা আৰু কত কি ? মামাই নিজৰ পইচাৰে কোনোদিনেই সমান্য বস্তু এটাও আনি লৰাকেইটাৰ হাতত তুলি দিয়া নাই। এইবোৰ কথা উৰ্মিলাই অতি সঙ্গোপনে ভাবে। ৰাজেনে গম পালে গেৰগেৰাই উঠিব। "আমি কিবা মগনীয়া নেকি ? কাৰোবাৰ ওচৰত কিবা প্ৰত্যাশা কৰো নেকি ? ইমান সৰু মনৰ বুলি নাভাবিবাচোন।" ৰাজেনৰ মানসিক অৱস্থা অলপ বিচিত্ৰ ধৰণৰ। ৰাজেনৰ মনৰ ভাৱ সি যে মোমায়েকক খাতিৰ কৰে, এম. এল. এ. কিম্বা ডাঙৰ মানুহ বুলি নহয়। ভালপোৱা অথবা শ্ৰদ্ধাৰ কাৰণেও নহয়। "তুমি মোক কোনোদিনেই সহায় কৰা নাই, তোমাৰ ওচৰলৈ গ'লে হয়তো ভালকৈ বহিবলৈও নকবা, সুদা চাহ একাপো নিদিবা। কিন্তু চোৱা সেইবোৰ কথালৈ মই অলপো পৰোৱাই কৰা নাই। মই তোমাক কি ধৰণে যত্ন কৰিছো। মন কৰি চোৱা।" এটা অদ্ভুত ধৰণৰ আত্মপ্ৰসাদ ! ফলত গাঁৱত থকা মাকক যে পিন্ধা কাপোৰ এজোৰ বা জাৰত গাত লোৱা কাপোৰ এখন দিম বুলি ভাবি আছিল, নহ'ল। পিছৰ মাহতো ল'ৰা-ছোৱালীৰ ফটা জোতাকেইযোৰ বদলাই নতুনকৈ কিনি দিয়া নহ'ল। মামা নিৰ্বিকাৰ। তেওঁৰ উপস্থিতিয়ে যে এখন সংসাৰৰ বহুতো জল্পনা-কল্পনা ওলট পালট কৰি দি আছে সেইবোৰ তেওঁ বুজিয়েই নাপালে।

কিছুদিন পিছত মামাই দাসগুপ্তৰ লগত কাৰবাৰ কৰো বুলি তেওঁকো লগত লৈ ৰাজেনৰ ঘৰত উঠা আৰম্ভ কৰিলে। 'লাইচেঞ্চ' 'পাৰমিট' চৰকাৰৰ লগত বহুতো লেঠা। সেইকাৰণে মামাই দাসগুপ্তক লৈ ঘনাই

ছিলঙলৈ যাব লগাত পৰিল। দাসগুপ্ত মানুহজনে বোধহয় এনেকৈ ৰাজেনৰ ঘৰত উঠাত সঙ্কোচ বোধ কৰে। তেওঁৰ খৰচৰ হাত। কিবা অলপ খৰচ নকৰাকৈ এনেকৈ লোকৰ ঘৰত খাই-বই থকাত অস্বস্তিবোধ কৰে - বিশেষকৈ আজিকালিৰ দিনত চহৰত। ‘ধাই’ কৰি কোনোবাদিনা চল্লিশ টকাৰে ৰৌ মাছকে এটা লৈ আহিলে। কিন্তু ৰান্ধিবলৈ তেল, ঘিঁউ, মচলা ? তাকো আকৌ জুতি লগাকৈ ৰান্ধিবলৈ ? লগতে অকলশৰীয়া উৰ্মিলাৰ পৰিশ্ৰমো বাঢ়ি যায় দুগুণে। পিছদিনা হয়তো মুৰগীকে লৈ আহিলে কেবাটাও। তাৰমানে আকৌ এক জুলুম।

দাসগুপ্তই কাৰখানাৰ কাম আৰম্ভ কৰিছে। কাৰখানা চহৰৰ বাহিৰত। দাসগুপ্তই চহৰত প্ৰকাণ্ড ঘৰ ভাৰা লৈ থাকে। বিনোদ বৰুৱা আজিকালি তেওঁৰ তাতেহে উঠে।

জোনে আহি কলে - “বিনোদককাক আজি ফাঁচিবজাৰত লগ পাইছিলো। মই মাত দিছিলো।”

“কি কলে ?”

“এনেয়ে মোৰ ফালে চাই এবাৰ ভুৰু নচুৱাই দিলে।”

“মুখেৰে কি কলে ?”

“একো কোৱা নাই।”

“আমাৰ কথা কিবা সুধিছিল নেকি ?”

“মতাই নাই বুলি কলো নহয়। মই কাযত ঠিয় হৈ আছিলো একো নামাতিলে। প্ৰকাণ্ড গাড়ী এখনত উঠি গুচি গ’ল। মই ঠিয় হৈয়ে থাকিলো।”

ৰাজেনেও খবৰ পায়, মামা চহৰলৈ আহিছে। দূৰৰ পৰা কেতিয়াবা গাড়ীত উঠি যোৱাও দেখা পায়। মামাও তেওঁলোকৰ ঘৰলৈ নাহে, তেৱোঁ দাসগুপ্তৰ ঘৰলৈ মামাৰ খবৰ লবলৈ নাযায়। লাহে লাহে ৰাজেনৰ মনত সৰুসুৰা অভিমান এটা গোট বান্ধি উঠিবলৈ আৰম্ভ কৰিলে।

উৰ্মিলাই কলে - “মামা আহিছে বোলে। খবৰ লবলৈ গৈছিল নেকি ?”

ৰাজেনে হঠাতে খঙতে জকি উঠে - “কিহৰ দৰকাৰ পৰিছে ? দাসগুপ্তৰ ঘৰলৈ গ’লে খেদি দিয়ে যদি ? গাত পৰি কোনে অপমান পাবলৈ যায় ?”

অলপ পিছতে আকৌ কয় - “ভালে হৈছে দিয়া, ৰক্ষা পৰা গৈছে। মস্ত জুলুম এটাৰ হাত সৰা গৈছে। এতিয়া আৰু আমাৰ ইয়ালৈ কিয় আহিব ? ডাঙৰ মানুহৰ ডাঙৰ মানুহৰ লগত সম্বন্ধ। আমাৰ লগত কিহৰ খাতিৰ ?”

আশ্চৰ্য্য ৰাজেন আৰু উৰ্মিলা ! ৰাতি দুয়োৰে ভালকৈ টোপনি নাহে। মামাৰ ওপৰত অভিমান, নিজৰ ওপৰত ধিক্কাৰ, এটা অৰ্থহীন অপমানবোধ, নিজৰ অৱস্থালৈ চাই ল’ৰা-ছোৱালীৰ প্ৰতি এটা কৰুণাৰ ভাৱ, হীনমন্যতাবোধ, সকলোবোৰ মনত খকাখুন্দা লগাই দিয়ে।

ৰাজেনে ভাবে হয়তো বিনোদ বৰুৱাৰ কাৰণে সিহঁতৰ ঘৰত থকাৰ কথাটো এটা সুন্দৰ জীৱনৰ ছন্দ-পতনৰ স্মৃতি। ঠেক ঘৰৰ অস্বস্তিকৰ বাতাবৰণ, গৰমত ফেনৰ অভাৱত বিছনাত চট্‌ফটনি, চাৰ্ভিচ লেট্ৰিন ব্যৱহাৰ, এই সকলোবোৰেই হ’ল সুস্থ জীৱনৰ অস্বাভাৱিক ব্যতিক্ৰম। ৰাজেনৰ মুৰটো গৰম হৈ উঠিল। খঙৰ লগত দুখৰ এটা মিশ্ৰ অনুভূতি।

দেৱতাৰ পূজা কৰি কিবা প্ৰতিদান পোৱাটো গৌণ। আচল কথা হ’ল উৎসৱৰ বাতাৱৰণ। ডাঙৰক সন্তুষ্ট কৰি আত্মতুষ্টি লাভৰ সহজাত অনুভূতি। হব পাৰে ডাঙৰৰ লগত বিসৰ্পিল পথেৰে এটা যোগসূত্ৰ স্থাপনৰ আনন্দ। খৰচ-পত্ৰ, পৰিশ্ৰম, সকলোখিনি এই আত্মতুষ্টি লাভৰ মূল্যহে।

উৰ্মিলাই সুধিলে - “টোপনি অহা নাই আপোনাৰ ?” ৰাজেনে আকৌ জকি উঠিল - “নাই অহা, নাই অহা।  কি হৈছে তাতে ?”

“নহয়। তাকেহে সুধিছো।”

“নুসুধিবা। এই গৰমত টোপনি আহিব পাৰে নেকি ?” অলপ পিছতে ৰাজেনে মাত লগালে - “জোনহঁতক গাত পৰি মামাক মাত লগাবলৈ হাক দিবাছোন। কি দৰকাৰ ? ডাঙৰ মানুহৰ লগত হেঁচা মাৰি গৈ গাত গা লগাবৰ চেষ্টা কৰাটো একো ভাল কথা নহয়।”

আৰু বহুত ৰাতি হ’ল। কোঠাটোৰ নিস্তব্ধতা ভাঙি ৰাজেনে হঠাতে আকৌ কলে - “ঠিকেই হৈছে। জোনৰনো দাঁত বাহিৰ কৰি হাঁহি তেওঁক

মাত দিবলৈ যাবৰ কি দৰকাৰ আছিল। ঠাচ্ কৰে চৰ এটা মাৰি দিলে আৰু ভাল পালো হয়।”

মণিদীপ : চেপ্টেম্বৰ, ১৯৬৬।

# তিৰ্য্যক

যোগমায়া বৰুৱানীৰ মনত শান্তি নাই। খোৱাত খাইছে, লোৱাত লৈছে, কিন্তু তথাপি মনত সদায় এটা অশান্তি। স্বামী জীৱিত থকা দিনত ঘৰখনত ইটো-সিটো অভাৱ লাগিয়েই আছিল কিন্তু অভাৱ বোধটোৱে তীক্ষ্ণ হৈ মনক ভাৰাক্ৰান্ত কৰি তুলিব নোৱাৰিছিল। স্বামী স্বৰ্গী হোৱাত নাবালক ল'ৰা-ছোৱালী কেইজনক লৈ বেছ দুৰৱস্থাই হৈছিল বুলি কব পাৰি। ভাগ্য ভাল, মাটিৰ ধানখিনি পাইছিল, তাৰেই বছৰটো জুৰিছিল। কিন্তু ভৰসা আছিল পঙ্কজক লৈ। অনেক সপোন, অনেক ভীৰু আশাৰ কম্পিত অস্পষ্ট ছাঁ। আজি ঘৰখন চলাব লাগিছিল পঙ্কজে, কিন্তু চলাই আছে প্ৰভাতে। পইচা-কড়িৰ কথা বাৰু বাদেই, পঙ্কজে ঘৰৰ খা-খবৰ পৰ্যন্ত নলয়। প্ৰভাতে চলাই আছে ঠিকেই, ভালকৈয়েই চলাইছে। কিন্তু চলায়ে জগৰ লগাইছে। আচলতে সি চলাব পাৰিব নালাগিছিল। এইটো হ'ল ব্যতিক্ৰম। ব্যতিক্ৰম এটাক সহজভাৱে লোৱা টান।

"মোক কোনে সোধে, মোক কোনে পোছে, মই ঘৰৰ কোন ?"

প্ৰভাতে বুজি নাপায় কি সুধিব লাগে, কি পুছিব লাগে। কিবা সুধিলেও দেখোন গম্ভীৰ হৈ থাকে। প্ৰভাতে শুনি যায়, একো নামাতে। আচলতে সি কথা কয় বৰ কম।

সৰলা পেহীয়ে সুধিলে,

"প্ৰভাতৰ বিয়াখন নাপাতা, বৌ ?" প্ৰভাতে ওলাই যাবলৈ লৈয়ো কিবা কাগজ এডোখৰ এৰি যোৱা হন পাই ৰৈ গ'ল। মাকে একো উত্তৰ দিয়া তাৰ কাণত নপৰিল।

একোকেই যে নাজানে এনে নহয়। কিন্তু পৰীক্ষাৰ বহীখন আগত লৈ বহিলে মস্তিষ্কই একো কাম নকৰা হয়। এটা কথাও মনত নপৰে। প্ৰশ্নপত্ৰত থকা প্ৰশ্নই মস্তিষ্কত একো সঙ্কেত বহন কৰি লৈ যাব নোৱাৰে। তিনি ঘণ্টা ধৰি বহীখনত কাট-কুট কৰি, অসংখ্য 'হিজিবিজি' আঁক টানি প্ৰভাত ওলাই আহিল। নহ'ল। এইবাৰৰ পাছ কৰা নহ'ল। সপ্তমমান শ্ৰেণীত এইবাৰো থাকিব লাগিব।

ঘৰত হাজাৰ গালি পাৰিলেও মুখেৰে একাষাৰ মাতিবৰ নাই। কথাবোৰ কাণত সোমায় নে নাই, সোমালেও কিবা প্ৰতিক্ৰিয়া হয় নে নাই, একোকেই বুজাৰ উপায় নাই। তলমূৰ কৰি শুনি যায় মাত্ৰ। অলপ পাচতে ভাইটিটোক লগত লৈ সমুখৰ পথাৰত চিলা উৰুৱাত লাগি গ'ল। এইটোক কিবা কৈ লাভ আছে জানো ?

পঙ্কজৰ প্ৰশংসা গাঁৱৰ সকলোৰে মুখতে। ৰত্ন। স্বাভাৱিকতে পঙ্কজৰ লগত প্ৰভাতক ৰিজাই চায়। পঙ্কজৰ ভায়েক হৈ প্ৰভাতটো এনেকুৱা গৰ্দভ নো হ'ল কেনেকৈ ? পঙ্কজ নিজৰ বিদ্যাবুদ্ধি সম্বন্ধে সচেতন। প্ৰশংসা কৰিলে মিচিকিয়াই হাঁহে। মানুহে ভাল পায়। বৰ ভাল ল'ৰা; শান্ত, লাজকুৰীয়া। গোটেই ঘৰখনৰ আশা তাৰ ওপৰতেই। বিধৱা মাকে তাৰ মুখলৈ চাই ধৈৰ্য্য ধৰি আছে। মনত সদায় শঙ্কা। যিহে কপালখন তেওঁৰ। ভগৱানক খাটে - "হে ঈশ্বৰ, বাছাক কুশলে-মঙ্গলে ৰাখা।" আৰু কেইটামান বছৰ কোনোৰকমে কটাব পাৰিলে হয়। পঙ্কজে ঘৰখন ঠিক কৰিব পাৰিব, ভাই-ভনী কেইজনক সিয়েই চাব পাৰিব। বৰ ভাল ল'ৰা পঙ্কজ; বৰ বিবেচক ল'ৰা।

প্ৰভাত স্কুললৈ গৈ আছে। আচলতে ধৰ্মৰক্ষা। পঢ়াত মুঠেই মন নাই। বাধ্য হৈ যায়। মাকৰ কথা উলাই কৰিবৰ সাহস এতিয়াও হোৱা নাই। ডাবি ধমকি দিও লাভ নাই। মুখেৰে একো নামাতে। কি মতলব কাকো একো নকয়। মাকে আৰু কিমান কব, কৈ কৈ হাইৰাণ - "পঢ়া-লিখা নকৰিলে খাবি কি কৰি ?"

একো উত্তৰ নাই।

মেট্ৰিক পৰীক্ষাৰ ফল বাহিৰ হ'ল। পঙ্কজে বৃত্তি পালে।

কোঠাৰ লগৰীয়া প্ৰশান্ত বৰুৱাই বিস্কুটত মাখন লগাই মন্তব্য কৰিলে - "হোষ্টেলৰ খাৱন যে কি হৈছে দিনক দিনে ! মুখত দিব নোৱাৰি।"

অইন লগৰীয়া ভট্টই ওভালটিনৰ গিলাচত শোহা এটা মাৰি ৰসিকতা কৰিবলৈ চেষ্টা কৰিলে - "থাৰ্ড ইয়াৰৰ মাধৱীক আনি এই

হোষ্টেলৰ খাৱন খুৱাব লাগেহে। এক সপ্তাহতে বেচেৰী শ্লিম হৈ যাব। অতি সহজতে জোকোৱাৰ হাত সাৰিব পাৰিব। দিম নেকি প্ৰস্তাৱটো ?”

পঙ্কজে তলমূৰ কৰি প্ৰফুল্লই আনি দিয়া লুচি দুখন আৰু চাহকাপ খাই আছে। হোষ্টেলৰ খোৱাতকৈ ঘৰৰ খোৱা বেয়া নহ'লেও ভাল নাছিল। বৰুৱা আৰু ভট্টৰ ফালে তাৰ চকু তুলি চোৱাৰ সাহস নাই। ধোবাই কাপোৰ লবলৈ আহিলে লাজতে মৰি যোৱাহেন পায়। বৰুৱাই দিলে চৈধ্যখন, ভট্টৰো বাৰখন। তাৰ দিবৰ কাপোৰেই নাই। বৰ বেচি চুৰীয়া এখন আৰু কামিজ এটা। জাৰ পৰিলে যে কি কৰিব এতিয়াৰ পৰাই চিন্তা লাগিছে। কোটতো নায়েই, চুৱেটাৰ এটাও নাই। পিতাকৰ এৰীকাপোৰ গাত মেৰাই ওলাব পাৰিনে ?

ঘৰৰ কথা মনত পৰে। ভাই-ভনীহঁতৰ কাপোৰ -কানিৰ সল্পতা চকুৰ আগত ভাহি উঠে। দুখতকৈ লাজৰ ভাবটোৱেই বেচি।

মাকৰ চিঠি পাইছে। প্ৰভাতে হেনো স্কুললৈ যোৱা বাদ দিছে। সুৰেন মামাই ঠিকাদাৰি কৰে। তেওঁৰ তাতেই কিবা কাম কৰে। কিনো কাম হ'ব ? হাজিৰা মহৰী বা তেনে ধৰণৰ কিবা কাম। তাৰ যিখিনি বিদ্যাবুদ্ধি সেই লৈ আৰু কি কৰিব ? ঘৰখনে তাৰ পৰা একো আশা কৰিব নোৱাৰে। নিজৰ পেটটো চলাব পাৰিলেই যথেষ্ট। পঙ্কজৰ বহুতো দায়িত্ব। সি উন্নতি কৰিবই লাগিব। নহ'লে হব কেনেকৈ ?

বৰুৱাহঁতে গধুলি বেছ আড্ জমাই বহিছে। পঙ্কজে ফিজিক্চৰ কিতাপখন মেলি লৈছে মাত্ৰ।

“ৰূমমেট, অসুবিধা হৈছে, নহয় ?”

“নাই নাই, একো অসুবিধা হোৱা নাই।”

পঙ্কজে লাজতে ৰঙা পৰি তৎক্ষণাত কিতাপখন জপাই থলে। পঢ়া-শুনা কৰাটো বৰ লাজৰ কথা। ভাল ল'ৰা বুলি দুৰ্নাম এটাই ওলাই পৰে কিজানি।

পঙ্কজৰ জীৱনৰ লক্ষ্য কি ? বৰুৱাহঁতৰ পৰ্য্যায়ত উন্নত হোৱা। কি স্বচ্ছল মুক্ত জীৱন ! দায়-দায়িত্ব, অভাব-অভিযোগে প্ৰতি পদক্ষেপক

ভাৰাক্ৰান্ত কৰি তোলা নাই। মাজৰ এই গেবাৰী খটা অৱস্থাটো বৰ ক্লান্তিকৰ, বৰ অসহ্য।

নিজৰ সমপৰ্য্যায়ৰ ল'ৰাক সি সযত্নে এৰাই চলে। সিহঁতৰ সংস্পৰ্শলৈ আহিলে যেন তাৰ নগ্ন-ৰূপ প্ৰকাশ হৈ পৰিব। দুখীয়া মেধাবী ল'ৰাক কলেজৰ মাচুল মাফ দিয়াৰ ব্যৱস্থা আছে, হোষ্টেলতে কিছু সা-সুবিধা দিয়া হয়। পঙ্কজে কোনোটোৰ কাৰণেই আবেদন নকৰিলে।

ঘৰৰ অৱস্থা তাৰ নজনা নহয়। সঙ্কোচ আছে, অপৰাধবোধ এটাও আছে। পিচে এইটো অৱস্থা আৰু কিমান দিন ? সি ভালকৈ পৰীক্ষা পাছ কৰি ওলালেই হ'ল। ঘৰৰ অৱস্থা বদলাই দিব। খাটাং। কিবাকৈ ব্যৱস্থা এটা কৰিব নোৱাৰিব নে ? এইটোতে এটা সাময়িক কথা। কিন্তু তথাপি সঙ্কোচ। পোনপটীয়াকৈ লিখাটো বৰ টান। মাকে চিঠি পালে পঙ্কজৰ গাটো ভাল নহয়। ডাক্তৰে কেইটামান দৰব খাবলৈ কৈছে। পিছে দৰববোৰৰ যিহে জুই-ছাই দাম, ক'ত কিনা হ'ব ? এশমান টকাই লাগে দেখোন। নাই মিছা, এইবোৰ ডাক্তৰৰ অতিৰিক্ত। এনেয়ে ভাল হৈ যাব।

ততালিকে মাকৰ উদ্বেগপুৰ্ণ চিঠি আহিল। টেলিগ্ৰাম মনিঅৰ্ডাৰ যোগে টকাও আহিল। পঙ্কজৰ প্ৰতি অসঙ্কোচ নিৰ্দেশ - আগেয়ে শৰীৰ, তাৰ পাচত অইন কথা। পইচাৰ কথা সি একো ভাবিব নালাগে।

লীলা ব্ৰাদাৰ্চত আঠান্নবৈ টকাত চুটযোৰ হ'ল। বঢ়িয়া। বৰুৱা এই বিষয়ে বেছ অভিজ্ঞ। ধুনীয়া হ'ল চুটযোৰ।

কিতাপ পঢ়ি সকলোৱে ভাল ৰিজাল্ট কৰিব পাৰে। নপঢ়াকৈ ৰিজাল্ট ভাল কৰিলেহে আচল বাহাদুৰি। ক্লাছলৈ নোযোৱাটোও এই বাহাদুৰিৰ অংশ। সময় কটাই কেনেকৈ ? কিয় ? চিনেমা, খেলচোৱা, ৰেস্তোৰাঁ। সংস্কৃতিৰ চৰ্চা, ৰাজনৈতিক গৱেষণা। জীৱনক ভৰাই ৰখাৰ অজস্ৰ উপকৰণ। অৱশ্যে পইচা লাগে। চিঠি লিখাৰ লগে লগে টেলিগ্ৰাম মনি-অৰ্ডাৰ যোগে টকা আহিল। কিবা উপায় আছে নিশ্চয়। বাৰু আকৌ লিখা যাওক। পাৰিলে পঠিয়াব, নোৱাৰিলে নাই। পিছে কথাটো মিছা নহয়। কলেজত পঢ়িলে টকা লাগিবই। পইচা যদি নাই তেনেহ'লে কলেজত নাম লগাবই নালাগিছিল। খোনাৰ ওস্তাদী গান গোৱাৰ চখ কিয় ? মেট্ৰিক

পৰীক্ষাত পাছ কৰিয়েই কেৰেণী, মহৰী এই ধৰণৰ কিবা কাম এটাত সোমাই লব লাগিছিল।

এইবেলি প্ৰভাতে টকা পঠালে। আজি কালি সিয়েই টকা পঠায়। প্ৰতি মাহে ওপৰঞ্চি পঞ্চাশ, আশী, এশ।

পঙ্কজে আই-এচ-চি পাছ কৰিলে কোনোৰকমে দ্বিতীয় বিভাগত। বি-এচ-চি পৰীক্ষা পাছ কৰা আৰু নহ'ল। প্ৰথম বাৰ অনাৰ্চৰ দুখন কাকতৰ পৰীক্ষা দি আৰু নিদিলে। দ্বিতীয় বাৰ পৰীক্ষাৰ আগতে অসুখ হ'ল বুলি ক'লে। তৃতীয় বাৰ পৰীক্ষাৰ আগে আগে বিয়াই কৰি পেলালে। ওস্তাদ ল'ৰা। ছোৱালীজনী ভালেই। কেনেকৈ যে ভজালে ? আচৰিত। ৰীণা গেৰৱাল ছোৱালীজনী দেখাই শুনাই ভালেই। বাপেকৰ মটৰ গেৰেজ এটা আছে।

অদ্ভুত পৰিবৰ্তন হৈছে পঙ্কজৰ। অপদাৰ্থ গাঁৱলীয়া লাজকুৰীয়া ল'ৰাটো হৈ থকা নাই। মানুহক কথাৰে তৎক্ষণাত ভোল নিয়াব পাৰে। ব্যৱসায় কৰিবলৈ ললে। পঙ্কজ, প্ৰশান্ত বৰুৱা আৰু নবীন দুৱৰা। পঙ্কজ হ'ল সক্ৰিয় অংশীদাৰ। টকা বৰুৱা আৰু দুৱৰাৰ। প্ৰশান্ত পঙ্কজৰ বন্ধু, টকা আছে। কিন্তু দুৱৰাৰ নিচিনা অভিজ্ঞ মানুহজনও ভোল গ'ল। তেওঁ লাখুটিডাল লৈ নৈৰ পাৰত ফুৰোঁতে কাৰোবাক লগ পালেই সোৎসাহে বক্তৃতা দিবলৈ আৰম্ভ কৰে - "এয়া, এইহে। অসমীয়া ল'ৰাই ব্যৱসায় কৰিব নোৱাৰে বুলি সকলোৱে কয়। চোৱা এই পঙ্কজহঁতক। যথেষ্ট কৰ্মক্ষম ল'ৰা। বেছ আইডিয়া আছে।" প্ৰতিষ্ঠানৰ নাম 'মিচেলিনিয়াচ চাপ্লাই চিণ্ডিকেট।' কায়দাও বহুত। বিৰাট ঘৰ, চৌকিদাৰ, ফোন, মহিলা ষ্টেনোগ্ৰাফাৰ পৰ্যন্ত। এলাহী কাৰবাৰ। বাহিৰৰপৰা মাল আনি চাহ বাগিচাবোৰত যোগান ধৰা হ'ব। প্ৰতিষ্ঠানৰ গাড়ী এখনো আছে। পঙ্কজৰ জিম্মাত। প্ৰভাতে আজি কালি নিজেই ঠিকাদাৰি কৰে। পঙ্কজে তাৰপৰাও কেই হাজাৰমান টকা ল'লে। লাভৰ সৈতে ফেৰৎ দিয়া হ'ব।

প্ৰভাত কিন্তু সেই গাঁৱলীয়াটো হৈয়েই থাকিল। পোছাক-পাতিও সেই, চালচলনো সেই। একো উন্নতি নাই। ঘৰখন চলাই আছে ঠিকেই কিন্তু সকলোৱে পঙ্কজলৈ চাই ৰৈ আছে। ডাঙৰ কাৰবাৰত লাগিছে। ঘৰৰ

চেহেৰাই বদলাই দিব। গাড়ী লৈ পঙ্কজ এপাক মাৰি গ'ল ইতিমধ্যে। ঘৰৰ সকলোৱে গাড়ীত উঠি ওচৰ-চুবুৰীয়াৰ ঘৰে ঘৰে মাত লগাই আহিল। কাৰবাৰত লাভ হওঁতে অলপ সময় লাগে। ইতিমধ্যে প্ৰভাতে কোনোৰকমে ঠেকা দি ৰাখিছে মাত্ৰ।

পঙ্কজে হাক দিলে, "নাই নাই, এই আপুৰণি ঘৰটো মেৰামতি কৰি কি কৰিবি ? নতুনকৈ এটা সাজিব লাগে। আৰু ই; এই খুটি পুতি সেই মান্ধাতা আমোলৰ ধৰণে ঘৰ বান্ধি একো লাভ নাই। কংক্ৰিটৰ ঘৰ এটাকে কৰ। মই নক্সা এখন পঠাই দিম। পিছে অকলে তই কেনেকৈ পাৰিবি ? আৰম্ভ কৰচোন। যি টকা লাগে দিম মই।"

'মিচেলিনিয়াচ চাপ্লাই চিণ্ডিকেট'ৰ দুৱাৰ বন্ধ হৈ গ'ল।

গাঁৱৰ সকলোৱে জানে পঙ্কজৰ মাহে হাজাৰ হাজাৰ টকা উপাৰ্জন। প্ৰভাতৰ উপাৰ্জন কিমান বুজিবৰ উপায় নাই। কংক্ৰিটৰ ঘৰ এটাকে সাজিলে সি। অকলে, তাৰ নিজৰ পাইচাৰে।

ইফালে পঙ্কজে কাপোৰৰ কল এটাৰ লাইচেঞ্চ যোগাৰ কৰি চেয়াৰ বিক্ৰী কৰাত ব্যস্ত হৈ পৰিল। সৰু ভনী অনিলাৰ বিয়াৰ কেইদিনমানৰ আগতে এপাক আহি যা-যোগাৰৰ বন্দোবস্ত দেখি খঙতে জকি উঠিল।

"এইবোৰ কি কৰিব খুজিছ ? আজি কালি ড্ৰাইভাৰ এজনেও ছোৱালীৰ বিয়াত ফাৰ্নিচাৰ এক চেট দিয়ে। এনেকুৱাকৈ পাল মাৰিব খুজিলে নহ'ব। ইজ্জত বোলা বস্তু এটা আছে নে নাই ? পইচাৰ কাৰণে তোৰ ভাবিব নালাগে। যি লাগে ময়েই দিম।"

বিয়াৰ আগদিনা টেক্সী এখন লৈ সপৰিবাৰে আহি পালে। ব্যস্তভাৱে প্ৰভাতক ক'লে, "হেৰি কৰচান। টেক্সীৰ ভাৰাখিনি দেচোন। আশী টকা, নহয় ড্ৰাইভাৰ ?" প্ৰভাতক অকলে পাই ক'লে, "এটা কথা হ'ল নহয়। মোৰ টকাখিনি গোটেইখিনিয়েই আটক হৈ আছে। কেইদিনমান পাচতহে দিব পাৰিম। এতিয়া বিয়াৰ খৰচখিনি তয়েই কিবাকৈ চলাই দে। কেইদিনমান পাচতেই পাবি।"

পঙ্কজৰ ফালে চাই মাকে অনাবিল আনন্দ বোধকৰে। বোৱাৰীজনীয়ে আৰু চাহাবৰ ল'ৰাৰ দৰে নাতি ল'ৰাটোৱে গোটেই

বিয়াঘৰখন শুৱনি কৰি তুলিছে। কি কথা-বতৰা, কি কৰ্ম দক্ষতা। কইনাপক্ষ দৰাপক্ষ দুয়োপক্ষৰ সকলোৱে পঙ্কজৰ ব্যৱহাৰত মুগ্ধ। আৰু প্ৰভাত ? কইনাৰ ককায়েক নে কাম কৰা মানুহ এজন, বুজি পোৱাই টান। পঙ্কজেহে সকলোকে বিনীতভাৱে ক'লে, "কামৰ লেঠাত একোকে যোগাৰ কৰিব নোৱাৰিলোঁ। বৰ লৰালৰি হ'ল। বেয়া নাপাব।"

আৰু প্ৰভাত ? মানুহক মাত দিব ক'ত ? পিচফালৰ চেতালত দিনটো কলপটুৱা তোলত লাগি থাকিল। নাই, প্ৰভাতক লৈ গৰ্ব কৰাৰ একো নাই। সকলোৱে শলাগিলে। পঙ্কজে অনিলাৰ বিয়াখন বেছ ধুমধামকৈয়েই দিলে। ভাল ল'ৰা, বাহাদুৰ ল'ৰা।

যোগমায়া বৰুৱানীয়ে লোকৰ ঘৰলৈ যাবলৈ ভাল নাপায়। পঙ্কজে ঘৰৰ খা-খবৰ লয় নে নাই, টকা-পইচা পঠায় নে নাই, সকলোকে খবৰ লাগে। কিয় বাৰু ? ইমান খবৰ কিয় লাগিছে ? ভাল নাগালে।

অনিলাৰ বিয়া হৈ গল। বাকীবোৰে পঢ়ি আছে। ঘৰখন ঠিকমতে চলি আছে কিন্তু তথাপি মাকৰ মনত এটা অশান্তি। প্ৰভাতে চাউল আনিছে, দাইল আনিছে, মাছ-বেঙেনা-কবি আনিছে, ভাই-ভনীহঁতৰ কাৰণে কাপোৰ-কানি জোতা আনিছে। কাৰোৰ কোনো প্ৰয়োজনীয় বস্তুৰ অভাৱ নাই। প্ৰয়োজনীয় বস্তুৰ ৰূপ বৰ কঠিন। প্ৰয়োজনৰ তাগিদাত অনা হয়। অতি বাস্তৱ। কোনো অনুভূতিৰ আবেগে আগুৰি ৰাখি তাক ৰহস্যময় কৰি তুলিব নোৱাৰে। তদুপৰি কঠিন বস্তুৰ আয়তন বৰ কম। বাষ্পীয় অৱস্থাত বস্তুৰ আয়তন বহুত বাঢ়ি যায়। দৈহিক তৃপ্তিৰ কাৰণে প্ৰয়োজনীয় বস্তু লাগিবই, কিন্তু মনৰ তৃপ্তিৰ কাৰণে লাগে কল্পনাৰ অৱকাশ। বিয়াৰ উপহাৰ মানুহে দুই বস্তা কয়লা কিম্বা এক টিন কেৰাচিন তেল নিদিয়ে, ফুলদানী এটাই দিয়ে।

পঙ্কজক কেন্দ্ৰ কৰি মাকে বহুত সপোন দেখিছে, অনেক আশাৰ জাল গুঁঠিছে। সেই সপোন দেখাৰ আশা আজিও এৰিব পৰা নাই। তেওঁৰ সেই প্ৰতীক্ষাৰ আজিও শেষ হোৱা নাই।

সৰলা পেহীৰ প্ৰশ্ন শুনি তেওঁৰ মুখখন গহীন হৈ গল।

"লগা হ'লে নপঠাব কিয় ? পঠাব।"

তেওঁ ফালৰি কাটি ওলাই আহিল। মনটো বেয়া লাগি গ'ল।

তেওঁ নিজৰ কাৰণে একো নিবিচাৰে। কিন্তু পঙ্কজ ডাঙৰ হওক, জাকত জিলিকা হৈ উঠক, এইটোৱেই তেওঁৰ হাবিলাষ।

কোনে কথাষাৰ উলিয়ালে ? ধনেশ্বৰে বোধহয়। মানুহ কম চকুচৰহা জানো ? ধনেশ্বৰ পঙ্কজৰ তাত থাকোঁতেই হেনো পাওনাদাৰ এজনে পঙ্কজ ঘৰত নাই বুলি কোৱাতো, দুৱাৰমুখত থিয় হৈ যি ইচ্ছা তাকে গালি পাৰি গ'ল। মানুহৰ পাওনাখিনি ফিৰৎ দিয়াৰ অইন উপায় নাথাকিলে পৰিবাৰক ভাৰালৈ দিয়াৰ পৰোক্ষ পৰামৰ্শ এটাও অযাচিতভাৱে আগবঢ়ালে। ধনেশ্বৰে লাজতে মৰি যোৱা হেন পালে, কিন্তু পঙ্কজৰ ভ্ৰূক্ষেপ নাই। ভিতৰৰ কোঠা এটাত নিৰ্বিকাৰভাৱে চিগাৰেট হুপি বহি থাকিল। কথা যেন কাণতেই সোমোৱা নাই।

প্ৰভাতে ঠিকাৰ কামত গুৱাহাটীলৈ আহি পঙ্কজৰ কাণ্ডকাৰখানা দেখি হতভম্ব। ঘৰভাৰা বাকী, দোকানৰ বাকী। তৰকাৰিৱালা, গাখীৰৱালা আনকি মাংসৱালাৰ তাতো বাকী। সকলোৰে গালাগালি। মাংসৱালাই কাটি দুডোখৰ কৰাটোৱে ভাল হব নেকি তাকেই ভাবি আছে বুলি মন্তব্য কৰিছে। পঙ্কজৰ ভ্ৰূক্ষেপ নাই। ইমান মানুহৰ গালি খাই কেনেকৈ নিৰ্বিকাৰভাৱে ঘূৰি ফুৰে ভাবিবই নোৱাৰি। ইফালে কিন্তু চাল আছে পূৰা। পোছাক-পাতি, চাল-চলনৰ কায়দা দেখি কোনে কব যে তাৰ অৱস্থা বেয়া ? ওলোটাই প্ৰভাতকহে প্ৰবোধ দিয়াৰ চেষ্টা কৰিলে - "বুজিছ, ব্যৱসায় এতিয়া অলপ মন্দা। ভালেখিনি টকা ইয়াত তাত সোমাই আছে। পাম এই দুই-চাৰি দিনৰ ভিতৰতে। ব্যস্ত নহবি।"

প্ৰভাতে গুৱাহাটীৰ অফিচত চেক এখন পাইছিল। সেই টকাৰে প্ৰায়বোৰ ধাৰ মাৰি দিলে। ওপৰঞ্চি পঙ্কজক পাঁচশমান টকা ধাৰ বুলি দিলে।

প্ৰভাতে হঠাতে টেক্সী এখন লোৱাৰ কথা ভাবিবই নোৱাৰে, ৰিক্সা এখন লবলৈকেও বৰ টান পায়। পঙ্কজে বজাৰ কৰি টেক্সী লৈ ঘৰ পালেহি। পৰিবাৰৰ শাড়ী এখন, নিজৰ দুটা তেৰিলিনৰ চাৰ্ট আৰু কিবাকিবি।

প্ৰভাতৰ ফালে পেকেট এটা আগবঢ়াই দিলে।

“হো। এৰী চাদৰখন মাক দিবিচোন। যোৱা বছৰ অনিলাৰ বিয়াত যাওঁতে কৈছিল গাত লোৱা কাপোৰ নাই। জাৰত বৰ কষ্ট পাই আছে। দোকানত এজনক কিনা দেখি মনত পৰিল। দিবি এইখন মাক। তই যে কি কৰ ? মাৰ ফালে অলপ চকু দিব লাগে।”

প্ৰভাতে টকা-পইচাৰ কথা মাকক একোকেই নক’লে। আচলতে সি কথাই কয় বৰ কম।

বহুদিনৰ মূৰত মাকে চুবুৰিত ফুৰিবলৈ ওলাল। সৰলা পেহীয়ে ক’লে : “বৌ বৰ ধুনীয়া কাপোৰখন লৈছা। চাওঁ, চাওঁ। ক’ৰপৰা কিনিলা ?”

“মই আৰু ক’ৰপৰা কিনিম ?”

“কোনে দিলে ?”

“মোক নো কোনে আৰু দিব ? জাৰত কষ্ট পাই থকা দেখি ডাঙৰ বোপাই পঠিয়াই দিছে।”

সৰলা পেহীৰ ঘৰৰপৰা ওলাই মাক গিৰিজা বাইদেউৰ ঘৰৰ পিনে আগবাঢ়ি গ’ল।

নীলাচল : এপ্ৰিল, ১৯৬৮।

# হাঁহি

মহা জুলুমৰ কথা হৈছে। পেটৰ ভিতৰৰ কিবা এটাই সিৰ্‌সিৰকৈ উঠে। ফলত মুখৰ মাংসপেশীবোৰত এনেভাৱে টান ধৰে যে হাঁহি থকা যেন দেখি। মহা মস্কিল। পিতাক দেখিলেই এনেকুৱা দৈহিক প্ৰতিক্ৰিয়া হবলৈ আৰম্ভ কৰিছে। আগত ওলাবই নোৱাৰা হৈছো।

পিতা হ'ল আদৰ্শ সংসাৰী। তেওঁ প্ৰতিটো কামতে অতিশয় নিয়মপৰায়ণ। কাম-কাজ চাল-চলন সকলোতেই। আমাৰ ভাই-ভনীবোৰৰ জন্ম নিৰ্দিষ্ট সময়ৰ ব্যৱধানত। দুবছৰ অন্তৰে অন্তৰে। আমি ভাই-ভনী নজন। প্ৰত্যেকেই একো একোটা ৰত্ন হোৱা উচিত আছিল কিন্তু হোৱাৰ কোনো আশা নাই। দোষ পিতাৰ নহয়। আমাৰ ভিতৰত মচলা নাই। মানে পিতাৰ কপালখন বেয়া। পিতাই আশা কৰিছিল আমি প্ৰত্যেকটোৱেই ডাঙৰ হম। ডাঙৰ মানে বেচ ডাঙৰ।

"কিয়হে কিয় ? লাটচাহাবৰ পুত্ৰ নেকি ? এই কামিজটো পিন্ধি গ'লে বাবুৰ মান যায় ! মহাত্মা গান্ধীয়ে গোটেই জীৱন আঁঠুমূৰীয়া কাপোৰ পিন্ধি পৃথিবী বিখ্যাত হোৱা নাই ? একো নহব। এতিয়াৰ পৰাই ইমান ফুটনি হ'লে একো নহব। অধঃপাতে যাব।"

জাৰৰ দিনত ফটা কপাহী কামিজটো পিন্ধি স্কুললৈ যাওঁ। লগৰ লৰাই জাৰ লগা নাইনে বুলি সোধে। মই স্কুলৰ শিক্ষকক জোকাই বাহাদুৰী দেখুৱাওঁ। লগৰ ল'ৰাৰ প্ৰশ্নৰ উত্তৰ দিয়া নহয়।

ক্লাচৰ পঢ়া বহুখিনি আগবাঢ়িছে। মাক জুলুম কৰি আছো গণিতৰ কিতাপখন লাগে। পিতা জকি উঠিল : "নতুন কিতাপ নহলে স্কুলত পঢ়া নহয় ? পুৰণি পিতাপ গোটাই ললে মান যায় নেকি ? লাগ বুলিলেই বস্তু এটা দিব লাগিব নেকি ? তুমিয়েই প্ৰশ্ৰয় দি ইহঁতক নষ্ট কৰিবলৈ লৈছা।"

ইফালে তিনি মাহ পাৰ হৈ গ'ল। কলিতা চাৰে ক্লাচৰ পৰা বাহিৰ কৰি দিলে।

"গণিতৰ কিতাপ ক'ত ? ঘৰত কৰিবলৈ দিয়া অঙ্ক কেইটাও কৰি অনা নাই দেখোন। স্কুললৈ আহিছা কিয় ? তামাচা কৰিবলৈ ?"

গধূলি পঢ়াৰ সময়ত ঠিক ওলাবহি। মাধৱ দাস কিম্বা সুৰেণ কাকতী।

"লহকৰ আছে ?"

"আছো, আহক।"

"পঢ়িছা ? পঢ়া, ভালকৈ পঢ়া। লিখাপঢ়াত ভাল নহলে আজিকালি জীৱনত উন্নতি নাই। এই আমাক চোৱা।" পিতাই কথা শেষ কৰিবলৈ নিদিলে।

"কাকতী, বহক। মাইকণ, যাচোন দুকাপ চাহ কৰি আনচোন। ফুনু, উঠচোন অলপ, চকীখন এৰি দে।"

পিতাৰ অফিচত পিতা নাথাকিলে যে কি হুলস্থুলখন লাগিলহেতেন সেইবোৰ বৰ্ণনা আমি ৰুদ্ধ নিশ্বাসে শুনি যাওঁ। পঢ়াশুনাৰ কথা পাহৰি যাওঁ। গৰ্বত আমাৰ বুকু ওফন্দি উঠে।

"চৌধুৰী চাহাব নতুন মানুহ। আমাৰ মহেশ্বৰ দাসৰ কৈফিয়ৎ তলব কৰিব লাগে বুলি জিকজিকাই উঠিল। "আৰ্নড্ লিভ' পাওনা আছে, গাৰ বলত কাম কৰিব খুজিলে হবনে ? 'ৰুল' দেখুৱাই দিলো। তেতিয়াহে বপুৰা ঠাণ্ডা। নিজে লিখা কাগজখন নিজেই ফালি পেলাই দিলে।"

"এঃ, নকব। বি-এ, এম-এ পাছ কৰি চাহাব হলেই হ'ল নে ? ইহঁতে জানেই বা কি আৰু বুজেই বা কি ? ইফালে ফুটনিখন আছে পূৰা।"

"ধেৎতেৰি, নকব। 'এন্তাৰপ্ৰাইজ'ৰ মালিকে আমাক নামাতে।

চাহাবৰ লগত দোস্তী, আৰু আমাক কিহৰ খাটিৰ ? চাহাবৰ কোঠাত বহি চিগাৰেট হুপি থাকে। চোধুৰী চাহাবে মোক মাতি কলে, 'লহকৰ এওঁৰ বিলখন ইমান দিনে কিয় পেলাই থৈছে ? আজিতেই পাছ কৰি দিয়ক।' মই কলো, 'বিলখন পাছ কৰি দিয়াত দিগদাৰ আছে।' তেওঁ গেৰগেৰাই উঠিলে, "কিয় ?" মই গহীনভাবে কলো, 'টেণ্ডাৰ নাই, কোটেশন নাই, এইখন বিল পাছ কৰি দিলে পিচত অডিটে ধৰিব। মহা জুলুম হব।'

কাকতীয়ে পিতাৰ কথাত খুব ৰস পাইছে। কলে, "পিচে কি হ'ল ?"

“কি আৰু হব ? অডিটলৈ বৰ ভয়; অডিটৰ নামত কাবু। ‘এন্তাৰপ্ৰাইজ’ৰ মালিকে সেমেনা-সেমেনিকৈ মোৰ তাত ওলালহি। আঃ, ব্যৱস্থা এটা নহব কিয় ? আগৰ তাৰিখ দি তিনিখনমান কোটেশ্যন দিলেই হ’ল। তেওঁৰখনৰ ৰেট অলপ কম কৰি দিয়ালো। পিচে আমাক বাদ দি যে ওপৰ খাপতে কাম কৰাই লব সেইটো হ’লে নহব।”

হঠাতে পিতাই মোৰ সৰু ভাই ফুনুৰ গালত প্ৰকাণ্ড থাপ্পৰ এটা লগাই দিলে।

“কি হা মেলি ডাঙৰৰ কথা শুনি আছ ? কিতাপ নপঢ় কিয় ? বজ্জাত ক’ৰবাৰ।”

আমাৰ ঘৰত দুটা মাত্ৰ কোঠা। এটাত থাকে পিতা আৰু সৰু কেইজনক লৈ মা। এইটো কোঠাত আমি বাকীবোৰ থেপা খাই থাকোঁ। ইয়াতেই শোৱা, ইয়াতেই বহা, ইয়াতেই কিতাপ পঢ়া।

মাই কেতিয়াবা কবলৈ চেষ্টা কৰে, “গধূলি ৰাজ্যৰ মানুহ গোটাই আনি কোঠাটোত গল্প পাতি থাকিলে ইহঁতে পঢ়ে কেনেকৈ ? মেজ এখন আনি নিদিয়ে কিয় ? চালপীৰাত বহি পঢ়া হয় নে কিবা ?”

মাৰ কথা শুনি পিতাৰ মেজাজ গৰম। ভেকাহী মাৰি উঠিলে : “আৰে থোৱা, থোৱা। পঢ়াত মতি থাকিলে এনেয়ে হব। নহলে হেজাৰখন মেজ আনি দিলেও একো নহয়। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে বাটৰ লেমৰ পোহৰত বহি কিতাপ পঢ়িছিল।”

এই মহাত্মা গান্ধী আৰু এই ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ ! এওঁলোকে যে কি জুলুমখন পকাই থৈ গৈছে, কি কব ? আমাৰ উচিত তেওঁলোকৰ আদৰ্শ অনুসৰণ কৰা। বোধহয় পিতাৰ মতলব আমিও তেনেকুৱা হম। সাধাৰণ ভাৱে ভদ্ৰ আৰু শিক্ষিত নাগৰিক হলেই নহব। কিন্তু একোৱেই নহ’ল। এইবাৰ লৈ মই তিনিবাৰ মেট্ৰিক পৰীক্ষাত ফেল কৰিলো। জনমত পাছ কৰিব নোৱাৰো। আচলতে ক্লাচ থ্ৰিৰ বিদ্যাই পেটত নাই।

পিতাই দিনে ৰাতিয়ে গালি পাৰি থাকে। মই হ’লো ৰাজপুত্ৰ, লাটচাহাবৰ বেটা।

“লিখা-পঢ়াও নাই, কাজ-কামো একো নাই। মোৰ ল’ৰা হৈ এনেকুৱা অপদাৰ্থ হব পালে নো কেনেকৈ ?”

ৰাতিপুৱা গৈছিলো ধূপতল হাটলৈ। তাত বস্তু অলপ সস্তা। পোন্ধৰ কিলো মান বস্তু লৈ ঘৰ পাওঁতে এক বাজি গ’ল। আকৌ ভাত খাই উঠিয়েই ‘ডিপো’লৈ যাব লাগিব। কেৰাচিন তেল আনিব লাগিব।

পিতাৰ অফিচ বন্ধ। ঘৰতে আছিল। কি যে মেজাজ ভদ্ৰলোকৰ। ঘৰত থকা সময়খিনি চৌব্বিশ ঘণ্টা মেজাজৰ ওপৰতে থাকে। ঠাচ্‌কৰে জুনুক এটা চৰ মাৰি দিলে।

“মোৰ গামোছাখন তই কিয় লৈছ ? অগলৈ মোৰ কিবা বস্তুত হাত দিলে খুন কৰি পেলাম।” বাপ্‌ৰে ! কি সাঙ্ঘাতিক মানুহ ! কি হৈছে ? নিজৰ ল’ৰাক খুন কৰিছে ? কিয় ? গামোছাত হাত দিছে। বাপ্‌ৰে !

দুপৰীয়া কিবাকৈ পিতৃদেৱৰ টোপনি ভাগি গ’ল। সকলোটিকে ধৰি বেধুম প্ৰহাৰ। চিঞৰ বাখৰ, হুলস্থুল।

মাইকণে মাইনৰ পৰীক্ষা ভালকৈ পাছ কৰিছিল। হাইস্কুলত পঢ়িব বুলি আমি ভাবি আছিলো।

মাই কলে, “দিন পাৰ হৈ যায়। মাইকণক স্কুলত নাম লগাই দিয়ক। আপুনি যাব নোৱাৰিলে পইচাখিনি দিব। ধনে লৈ যাব।”

পিতাই হঠাতে জকি উঠিল, “নাই, নহব। ল’ৰাই ছোৱালীয়ে একেলগে সেইখন স্কুলত পঢ়াৰ তাইৰ কোনো দৰকাৰ নাই। ঘৰতেই পঢ়িব।”

আজিকালি ঘৰলৈ ধান অনা হয়। মাইকণে ঢেকী দিয়ে। ঢেকী দিও কোনোবা মহিলাই যদি পৃথিবী বিখ্যাত হৈছে তেনেহলে বোধহয় পিতাৰ সেই খবৰ জনা নাছিল। পিতাক আমি তেনেকুৱা উদাহৰণ দাঙি ধৰা শুনা নাই।

মাইকণ আৰু চেনিমাইক দেখি মনটো বেয়া লাগে। খঙো উঠে। খাব নোপোৱা ৰুক্ষ চেহেৰা। তেলৰ অভাৱত মূৰৰ চুলিবোৰ ৰঙচুৱা। দিনটো ঘৰতে কাম কৰি থাকে আৰু মাৰ লগত চৌব্বিশ ঘণ্টা কিটকিট কৰি থাকে। পিতা ঘৰ পোৱা মাত্ৰে চুপ। পিতাৰ মেজাজ উগ্ৰ। কথাই কথাই ডাবি।

চুলি কেইডাল নাকাটিলে নহৈছে। হাতত এটা পইচা নাই। মাক খুজি লাভ নাই। তেওঁৰ হাতত এটা পইচাও নাথাকে। পিতাক কোৱাৰ প্ৰশ্নই নুঠে। হাৱাই চেণ্ডেলৰ অৱস্থা নাই। এডাল ফিটা ছিগি গৈছে, সূতাৰে বান্ধি লৈছো। পেটটো কিবা কলমলাই থাকে। কিমান দিন যে ভাল বস্তু এটা মুখত দিয়া নাই। পেটত সদায় ভোক। মুখখন কিবা তিতা তিতা লাগি থাকে। ৰেস্তোঁৰাত সজাই থোৱা বস্তুবোৰ দেখিলে মেজাজটো কিবা হৈ যায়। ৰমেশহঁতে কিন্তু সদায় ৰেস্তোঁৰাত বহি খায়। চিনেমাৰ টিকট কিনি লৈ বেছি দামত বিক্ৰী কৰে। বেচ ভাল কাম কিন্তু। বিনা পৰিশ্ৰমে, অতি সহজতে বেচ কেইটামান টকা পোৱা যায়। ৰমেশহঁতৰ লগ লব লাগিব। চালা ! এইটো পেন্ট কোনোবাই পিন্ধে নে ? মংলু জমাদাৰৰ ল'ৰাৰ পোছাক-পাতিও মোতকৈ ভাল। কোন গৈছে নো সেইজন ? চাচোন চা, কি পায়তাৰা ! কি কায়দাৰ চুট পিন্ধিছে চাচোন চা। দিম নেকি অলপ বোকা ছটিয়াই ?

ঘৰত এক দণ্ড তিষ্ঠিব নোৱাৰি। অসহ্য। আজি পিতাই মাইকণক লৈ লাগিছে।

"কৃষ্ণবাহাদুৰৰ লগত কি কথা পাতি আছিলি ? গাখীৰ দিয়া মানুহৰ লগত তোৰ কি কথা থাকিব পাৰে ? ক, কি কথা পাতি আছিলি ?"

মাইকণে কলে, "একো কথা পতা নাই।"

"একো কথা পতা নাই। মই নিজ চকুৰে দেখিছো। তাৰ লগত চুপতি মাৰি আছ। আকৌ মিছা কথা। আৰু কোনোবাদিনা তাৰ লগত কথা পতা দেখিলে কাটি দুডোখৰ কৰিম !"

পিতা কিন্তু কামৰ মানুহ। গালি পাৰি থকা অৱস্থাতত ইফালে সৰু চিমটা এখনেৰে যত্ন সহকাৰে পকা গোঁফ তুলি আছে। তেওঁ নিজৰ পোছাক-পাতি সম্বন্ধেও বেচ সচেতন। ধুতি-কামিজ পিন্ধে, কিন্তু বেচ পৰিপাটীকৈ। গধূলি বাহিৰলৈ ওলালে আজিকালি হাতত লাঠী এডাল লয়। ভাল দেখি কিন্তু। খলিফা মানুহ। মাৰ বয়স নাই কাৰণেহে। নহ'লে বাবুৰ আৰু কেইটামান ল'ৰা-ছোৱালী হ'লহেতেন ইমান দিনে। ধেৎ, নাপায় এইবোৰ কথা ভাবিব।

ক’ৰবাত কিবা আছে নেকি খুচৰি চাওঁতে মাইকণৰ ভগা টিনৰ চুটকেচৰ ঢাকনীখন কায়দা কৰি খুলি পেলালো। এই চুটকেচটো তাই হাতেৰে চুবলৈ নিদিয়ে। কিনো ইমান মহামূল্যবান বস্তু আছে ? লগে লগে সুহুৰি এটা মাৰি দিলো। চুটকেচত এডোখৰ ৰঙা ব্লাউজৰ কাপোৰ। ঘৰৰ পৰা দিয়া নহয়। পিতাই দেখিলে কব, “অনন্ত লহকৰৰ নাতিনীয়েকে লোকৰ পৰা এই সামান্য এডোখৰ কাপোৰ লব লাগেনে ? হায় ভগবান !” সঁচাই, অনন্ত লহকৰৰ নাতিনীয়েকৰ দাম অলপ বেছি হব লাগিছিল অন্ততঃ এযোৰ মেখেলা-চাদৰ।

হাৱাই চেণ্ডেলৰ ইডাল ফিটাও ছিগি গৈছে। কিমান দিন যাব আৰু ? সুতাৰে মেৰামতি কৰি লৈছো। নহব, লবই লাগিব নতুন এযোৰ।

ৰমেশহঁতে মাতি লৈ গল। চহৰত হৰতাল। ৰমেশৰ খং। অশ্লীল মন্তব্য এটা কৰিলে, “থ, থ। হৰতাল কৰি..কৰিব। কাম নোহোৱাৰ কাম। মিছাকৈ জুলুম।”

দিগম্বৰে বিজ্ঞৰ দৰে মূৰ জোকাৰিলে, “হৰতাল কৰিলে চৰকাৰে ভয়ত পেপুৱা লাগিব ! বেটাহঁত ! কি বুদ্ধি !”

আমি আগবাঢ়ি গৈ আছো। দোকান-পোহাৰ বন্ধ। ৰমেশৰ মেজাজ আকৌ গৰম হৈ উঠিল।

“চাচোন, কাগুখন চা। চাহ একাপ খোৱৰ উপায় নাই। মিছাকৈ মানুহক অত্যাচাৰ।”

এখন দোকানৰ সমূখত কিছুমান মানুহে জুম বান্ধি আছে। দোকানীয়ে দোকান বন্ধ কৰা নাই। কেইজনমান ল’ৰাই দোকানীৰ লগত তৰ্কাতৰ্কি কৰি আছে। আমিও তামাচা চোৱাৰ কাৰণে ৰৈ গ’লো।

“আপোনাক আমি অনুৰোধ কৰিছো দোকানখন অনুগ্ৰহ কৰি বন্ধ কৰক।”

ল’ৰা কেইজনে ভদ্ৰভাৱেই অনুৰোধ কৰিছে। দোকানীয়েও মোটামুটি ৰাজী হৈ গ’ল। পিচে অলপ হেহোঁনেহোঁ কৰিলে ? “প্ৰতি সপ্তাহতে একোবাৰ একোবাৰ দোকান বন্ধ কৰিব লগা হলে মহা জুলুমৰ কথা।”

হঠাৎ ৰমেশে জাপমাৰি আগুৱাই গ'ল : "কিহৰ মিছাকৈ তৰ্ক কৰি আছেহে এইটোৰ লগত। জোৰ কৰি বন্ধ কৰি দিয়ক না।"

দোকানীয়ে কিবা এটা কলে, ভালকৈ নুশুনিলো। ৰমেশে তাৰ ডিঙিত থাপমাৰি ধৰি জোকাৰিবলৈ আৰম্ভ কৰিলে। দোকানীয়ে বিচুৰ্তি খাই চিঞৰ বাখৰ লগালে। গণ্ডগোল দেখি উত্তৰ ফালৰ পৰা কিছুমানে লৰৰি আহিল। ইতিমধ্যে তাত বিৰাট হুলস্থুল লাগি গৈছে। দিগম্বৰে গোৰ মাৰি দোকানৰ আইনা এখন ভাঙি পেলালে। কিছুমানে লৰালৰিকৈ ঠাইডোখৰ এৰি যাবৰ চেষ্টা কৰিলে। উত্তৰ ফালৰ পৰা অহা মানুহবোৰৰ লগত সিহঁতৰ খুন্দিয়াখুন্দি লাগি গল। আশেপাশে যিমানবোৰ মানুহ দেখিলো সকলোৱে ৰং চোৱাৰ কাৰণে দোকানৰ সমুখত ভিৰ কৰি ধৰিলে। এজনে ভিৰৰ মাজেৰে চাইকেলত উঠি যাওঁতে কাৰোবাক খুন্দা মাৰি দিলে। যাৰ গাত খুন্দা লাগিছিল সি দুয়ো হাতেৰে চাইকেলখন দাঙি দোকানৰ বেৰত দলি মাৰি দিলে। চাইকেলেৰ অহা মানুহজনে চাইকেল এৰি মাৰ লৰ। ইতিমধ্যে গাড়ী এখন আহি ভিৰৰ মাজত পৰি গ'ল। ড্ৰাইভাৰজনে ঘনাই হৰ্ণ দিবলৈ আৰম্ভ কৰিলে। হৰ্ণৰ শব্দ শুনি থাকি থাকি টিঙিচ কৰে মোৰ, মূৰটোও গৰম হৈ উঠিল। ফুটনি চোৱাচোন !

"হৰতালৰ দিনত কিহৰ গাড়ীত উঠি পায়তাৰা মাৰিব আহিছা হে ?"

"হেৰি, বাটটো এৰক। মোৰ হাচপাতাললৈ যাব লাগে। ……চাওঁ, এক এৰক।"

"খোজকাঢ়ি যোৱা। এদিন মাটিত ভৰি দিলে ভৰি দুখন ক্ষয় নাযায়।"

মানুহজনে মোৰ কথাৰ উত্তৰ নিদিয়াকৈ আকৌ হৰ্ণ দিবলৈ আৰম্ভ কৰিলে। গাড়ীখনো অলপ আগুৱাই লোৱাৰ চেষ্টা কৰিলে। মাডগাৰ্ডখন মোৰ গাতেই লাগি গ'ল।

"এই, ৰাখ গাড়ী।"

"কিয় ?"

আৰু বোলে কিয় ? সহৰ এটা সীমা আছে ! মূৰৰ চুলিত ধৰি টান মাৰি মানুহজনক নমাই আনিলো। দুয়োখন হাত আগফালে মেলি দি অদ্ভুত ভাৱে মানুহজন ওলাই আহিল। ভয় খাইছে, বেটাই ভয় খাইছে। ৰমেশহঁতে লগলাগি গাড়ীখন ওলোটাই দিলে। হঠাতে মানুহবোৰে চিঞৰ-বাখৰ কৰি অলপ আঁতৰি গ'ল। দাউদাউ কৰি গাড়ীখন জ্বলি উঠিল। চালকজনে ভেবা লাগি জ্বলি থকা গাড়ীখনৰ ফালে চাই থাকিল। তাৰ কামিজটো ফাটি গৈছে। নাকেৰে তেজ বাগৰি মুখত সোমাই আছে। ভ্ৰূক্ষেপ নাই।

আমি ইফালে ব্যস্ত হৈ থাকোতে পশ্চিম ফালেও হুলস্থুল লাগি গ'ল। সিফালে এখন 'জীপ' গাড়ী দোকানৰ বাৰান্দাত ৰখাই থোৱা আছিল। সিখনত কোনোবাই জুই লগাই দিলে। লাঠী লৈ কেইজনমান পুলিচক অহা দেখি আমি হুলস্থুল কৰি শিলগুটি দলিয়াই খেদিলো। সিহঁতে লৰালৰিকৈ পলাই পত্ৰং দিলে। আমি সকলোৱে নানা ধৰণে কিৰিলী মাৰি উঠিলো। গোটেই বাট মানুহে ভৰি পৰিছে। মোৰ হাতত প্ৰকাণ্ড এডোখৰ পাথৰ থাকিয়েই গ'ল। পেট্ৰল পাম্পৰ আইনাখনত মাৰি পঠিয়ালো। ঝন্‌ঝন্‌কৈ আইনাখন ভাগি পৰিল। বাকীবোৰে চিঞৰ বাখৰ কৰি অইনবোৰ আইনাও ভাঙি পেলালে।

দক্ষিণ ফালৰ পৰা এদল মানুহে কিবা চিঞৰি চিঞৰি লৰৰি আহিল। ৰমেশৰ হাতত দেখিলো প্ৰকাণ্ড এডাল লোহাৰ দাণ্ডা। পেট্ৰল পাম্পত পালে বোধহয়। পুলিচ কেইটাক খেদি আমাৰ সাহস বাঢ়ি গ'ল। কোন আহা আহাচোন, আগবাঢ়ি আহা, চাওঁ। দুনিয়াৰ কাক পৰোৱা কৰো আমি ? কি কৰো ? হাতবোৰ আমাৰ থৰথৰকৈ কঁপি আছে। কিবা ভাঙিব লাগে, কিবা ছিঙিব লাগে। ৰমেশে লোহাৰ দাণ্ডাৰে কোবাই সমুখৰ দোকান এখনৰ দুৱাৰখন ভাঙি পেলালে। কিছুমানে হুৰমূৰকৈ জপিয়াই পৰিলো। বস্তুবোৰ ভাঙিলো, বাটত দলিয়াই পেলালো। সৰু দোকান, মুহূৰ্ততে চাফ। হাতৰ পেশীবোৰ তৃপ্ত নহ'ল, বুকুৰ আক্ৰোশ অশান্ত। ভাঙ, ছিঙ, গুড়ি কৰি দে। ঠাচ ঠাচ। অলেখ অতৃপ্ত আশা, অনেক অপূৰ্ণ লালসা এই বস্তুবোৰৰ চাৰিওপিনে হুমুনিয়াহ কাঢ়ি ঘূৰি ফুৰে। কৰ-কৰ-কৰাৎ। ভাঙ, ভাঙ।

এইবোৰ বস্তু কেতিয়াও আমাৰ ভোগত নালাগে। ৰক্তত জুই জ্বলি উঠিছে। ভাঙ, ছিঙ, গুড়ি কৰি দে।

"চালা, ৰাজ্যৰ মানুহক ঠগাই পইচা লুটিব আহিছ ? ফুটনি কি চাবি। আমি দোকানত সোমালে বিৰক্ত। মাতিবই নোখোজে।"

ঝন-ঝন-ঝনাৎ। কি গ'ল সেইটো। ধুনীয়া টি-চেট এটা ? জনমত আমি এইবোৰ বস্তু হাতেৰে চুবলৈ নাপাওঁ। ভাঙ, ছিঙ, গুড়ি কৰি দে।

আমি উন্মত্ত হৈ উঠিলো। যি ক্ষোভটো অস্পষ্টভাৱে গোটেই দুনিয়াত বিয়পি আছিল সেই ক্ষোভটোৱে হঠাতে এই মুহূৰ্ত্ততে এইখিনিতে গোটবান্ধি আমাক অস্থিৰ কৰি তুলিলে। পৃথিৱীত আছে অজস্ৰ সুখ আৰু সম্ভোগৰ উপকৰণ। আমাৰ নাই। নাই, নাই। কেতিয়াও নহয়। অতএব ঠাচ-ঠাচ-ঠকাচ।

এখনৰ পিচত এখন দোকান ভাঙি চূড়মাৰ কৰি দিলো। চিঞৰ-বাখৰ, হুলস্থুল। মাজে মাজে সমবেত কণ্ঠৰ অসংযত উল্লাস। তেজত আমাৰ জুই জ্বলি উঠিছে।

হঠাতে মানুহবোৰ উদ্ধৰ্শ্বাসে দৌৰিবলৈ আৰম্ভ কৰিলে। ময়ো লৰ মাৰিলো। লোকৰ চোতালৰ মাজেদি, প্ৰাইমেৰী স্কুলটোৰ পিচফালেদি পলাই আহি ঘৰ পালো। ভৰিত দুখ পোৱা যেন বোধ হ'ল। দেখিলো হাৱাই চেণ্ডেলযোৰ নাই, ভৰিৰ বুঢ়া আঙুলিৰ নখটো এৰাই গৈছে ? কমিজটো টুকুৰা-টুকুৰকৈ ফাটি গৈছে। আৰু লক্ষ্য কৰিলো মোৰ বাওঁ হাতত বঢ়িয়া ধুতী এখন আৰু সেঁহাতত কিবা এটা ৰেডিঅ'ৰ পাৰ্টচ নেকি ঠিক ধৰিব নোৱাৰিলো। সেই অৱস্থাতে পিচফালেদি ঘৰ সোমালো। বস্তুখিনি হাতত থাকিয়েই গল।

মাই মোৰ অৱস্থা দেখি চিঞৰি উঠিল : "কি হৈছে তোৰ ? এনেকুৱা হ'ল কেনেকৈ ?"

পিতা হৰতালৰ কাৰণে অফিচলৈ যোৱা নাছিল। তেওঁ চেপা মাতেৰে ধমক দি উঠিলে, "চুপ থাকা, গণ্ডগোল নকৰিবা।"

বাহিৰখন চাই আহি তেনেকুৱা চেপা মাতেৰেই মোক গালি পাৰিবলৈ আৰম্ভ কৰিলে "এইবাৰ যোলকলা পূৰ্ণ। বদমাচ, গুণ্ডা, ডকাইত।"

মায়ো বুজি পাইছে ঘটনা কি।

“কি সর্বনাশ ! বস্তুবোৰ হাতত লৈ আহিলি কিয় ? খানাতালাচ কৰিলে এতিয়াই ধৰা পৰিবি দেখোন। কি হব এতিয়া ?”

পিতাই মাক পুনৰায় ডাবি দিলে।

“ৰবা, ৰবা। হুলস্থুলখন নলগাবা।” তাৰ পিচত নিজৰ মূৰত চাপৰ এটা মাৰি দি আৰম্ভ কৰিলে : “হে ভগবান ! অনন্ত লহকৰৰ নাতি ল’ৰাই দোকান লুট কৰি লুটৰ মাল লৈ ঘৰ সোমালেহি। বাঃ, বাঃ বাঃ। এই, মিলিটেৰীৰ গুলীত মৰি নাথাকিলি কিয় ? মৰি নাথাকিলি কিয় ?

বৰ বেছি গণ্ডগোল নকৰিলে। ভয়ো আছে। মই ধৰা পৰিলে তেওঁ মানুহৰ আগত মুখ দেখুৱাব কেনেকৈ ?

ময়ো কি হ’ল বুজাৰ চেষ্টা কৰিছে। দিগম্বৰটো মৰিল নেকি ? মোৰ কাষতেই কোনোবা বাগৰি পৰিল নহয়। দিগম্বৰ নেকি ? হয়তো, দিগম্বৰ যেনেই লাগিছে দেখোন। খবৰ লব লাগিব। বাপৰে, বৰ ৰক্ষা পৰিছো।

পিতাই বস্তুখিনি কৰবাত লুকুৱাই থলে। গধূলি ক’ৰবাত পেলাই দিয়াৰ চেষ্টা কৰিব। নাই, নাই, আনিম বুলি বস্তুখিনি অনা নাছিলো। কব নোৱৰাকৈ হাতত আহি গল।

দিনটো ঘৰতে থাকিলো। চহৰত সান্ধ্য আইন জাৰি হৈছে। অসম্ভৱ ভাগৰ লাগিছে। দিগম্বৰৰ খবৰটো লব লাগিছিল। ইমান সহজতে মৰিবনে ? ওস্তাদ ল’ৰা। বহুত বুদ্ধি জানে। ক’ত কেনেকৈ পইচা ঘটিব পাৰি, বেচ কায়দা জানে। ৰমেশ তো আৰু ওস্তাদ। আৰু এক খোপ চাৰ। লগত এখন ছুৰী লৈ ঘূৰি ফুৰে। পিচে কথাটো ঠিক। ছুৰী এখন লগত থাকিলে স্বাভাৱিকতে মনৰ সাহস বাঢ়ি যায়।

চাৰিদিন পিচত দেখিলো পিতাই নতুন সেনগুপ্ত ধূতী এখন পিন্ধি ফিট বাবু হৈ অফিচলৈ যাবলৈ ওলাইছে। মোৰ পেটৰ ভিতৰত কিবা এটাই সিৰসিৰকৈ উঠিল। মুখৰ মাংসপেশীবোৰ ইফালে সিফালে সঞ্চালিত হৈ পৰিল। মাইকণে আচৰিত হৈ মোৰ মুখৰ ফালে চাই সুধিলে, “হাঁহিছা কিয় ?”

ঠাচ কৰে তাইৰ গালত চৰ এটা মাৰি দিলো।

ভাত খোৱাৰ পিচত মাই কলে, “ক’তে ওলাই নাযাবি। ডিপোলৈ যাব লাগিব। কেৰাচিন তেল নাই।”

মই কলো, “নোৱাৰো মই।”

“কি কলি ? নোৱাৰো বুলি কলেই হব নেকি ? কোন যাব তেনেহ’লে ? মই ?”

মই একো উত্তৰ নিদিলো। মাই বকবক কৰি থাকিল। মোৰ এইবোৰ কথাত কাণ দিয়াৰ সময় নাই। ৰমেশে জুৱা খেলি কালি সোতৰ টকা পাইছে। আজি ময়ো বহিম। পাইচা ঘটাৰ এইটো এটা অতি সহজ উপায়।

অসম বাতৰি : ৰঙালি বিহু, ১৯৬৮।

# বান

পানী অত্যাৱশ্যকীয় হ'লেও মানুহে পানীত বাস কৰিব নোৱাৰে। মাছে পাৰে ভেকুলীয়ে পাৰে, পানীজোক কেঁকোৰাইও পাৰে। মানুহে নোৱাৰে।

জমীদাৰ বীৰেশ্বৰ চৌধুৰীৰ পূৰ্ব পুৰুষ বুদ্ধিমান মানুহ আছিল। আগতেই ভাল ঠাইত ওখ মাটিখিনি লৈ বিৰাট চৌহদৰ সৈতে ঘৰ সাজি থৈ গৈছে। পকী ঘৰ। শক্তি আৰু স্থায়িত্বৰ প্ৰতীক। গাঁৱৰ সকলো ঠাই পানীত তল গ'লেও বীৰেশ্বৰ চৌধুৰীৰ চৌহদত পানী সোমাব নোৱাৰে। ধুনীয়া এটা দ্বীপ। নিৰাপদ আৰু নিৰ্ভৰশীল।

সৰুতে বীৰেশ্বৰ চৌধুৰীয়ে সতৃষ্ণ নয়নে গাঁৱৰ ফালে চাই থাকিছিল। মনত বৰ দুখ। আমাৰ ঘৰত নো পানী নহয় কিয় ? গাঁৱৰ ল'ৰা-ছোৱালীবোৰৰ কি মজা। ঢপলং ঢপ্‌লঙকৈ পানীৰে খোজকাঢ়ি যায়। কলৰ ভূৰত উঠি মজা কৰি ঘূৰি ফুৰে। ৰাতি জোৰ লৈ ঘৰৰ চোতালতে মাছ মাৰে। পানীৰ মাজত কঁপি থকা অস্বাভাৱিক দীঘল দীঘল পোহৰৰ প্ৰতিফলনবোৰ চাই চাই নিজকে অত্যন্ত বঞ্চিত বুলি বোধ হয়। গাঁৱৰ ল'ৰবোৰৰ সৌভাগ্য দেখি বীৰেশ্বৰ চৌধুৰীৰ হিংসা হয়।

সেইবোৰ হ'ল সৰুকালৰ কথা। অপৰিণতবুদ্ধি বালকৰ কথা। এতিয়া পৰিণতবুদ্ধি বীৰেশ্বৰ চৌধুৰীয়ে নিজৰ ভাগ্যক ধন্যবাদ দিয়ে।

পানী নহ'লে মানুহ চলিব নোৱাৰে। সেইবুলি মানুহ পানীত থাকিব নোৱাৰে। ভেকুলীয়ে পাৰে। কুম্ভীৰ আৰু বেজীমুৱাইও পাৰে। পানীত থকা জীৱ বেলেগ। অকল প্ৰয়োজন বুলি নহয়, প্ৰাকৃতিক সৌন্দৰ্য্যত পানীৰ বিশিষ্ট ভূমিকা আছে। সমুদ্ৰ, হ্ৰদ আৰু নিজৰা চাই ভাল লাগে। জোনৰ পোহৰত ঢৌ উঠি থকা সীমাহীন পানীৰ সমতল পিঠিৰ মাজেৰে আধৰুৱাকৈ ওলাই থকা ঘৰ আৰু গছৰ দৃশ্য দেখিও ভাল লাগে।

ক্ৰমবিকাশৰ ধৰাবাহিকতাত জলচৰৰ পৰা প্ৰাণীবোৰ উভচৰ হ'ল। তাৰ পিছতহে স্থলচৰ। বিৱৰ্তন ধাৰাৰ শ্ৰেষ্ঠ পৰিণতি হ'ল মানুহ।

মানুহ পানীতো থাকিব নোৱাৰে, বোকাতো থাকিব নোৱাৰে। সেইকাৰণে ওখকৈ ঘৰ বান্ধিয়েই মানুহ ক্ষান্ত নাথাকিল। সেই ঘৰৰ ভিতৰতত চাং সাজি ল'লে, তক্তাপোচ পাতি ল'লে। তাৰ ওপৰত শুকান বিছনা। ইমান কৰিও মনত শান্তি নাই। কিজানি ক'ৰবাত অলপ আৰ্দ্ৰতা থাকি যায়। লেপ তুলী ৰ'দত মেলি দি শুকাই লয়। এই হ'ল সভ্যতা। ক্ৰমবিকাশ আৰু উন্নতিৰ পৰিচায়ক।

বানপানী আহে, বানপানী যায়। বীৰেশ্বৰ চৌধুৰীয়ে ঘৰত থাকিলে একো গম নাপায়। বানপানী তেওঁৰ কাৰণে এটা দৃশ্য। চাবলৈ হ'লে খিড়িকীৰে চাব লাগে; নহ'লে ঘৰৰ পৰা ওলাই আহি বাহিৰত থিয় হব লাগে। অনন্ত সমুদ্ৰৰ মাজত বিৰাট চৌহদৰ সৈতে নিজৰ ঘৰটোক এটা সুৰক্ষিত দ্বীপৰ দৰে বোধ হয়। মনটো ফৰকাল লাগে। তেওঁ নৰম মাটিত থিয় দি থকা নাই। তেওঁৰ ভৰিৰ তলত আছে টান মাটি। তেওঁৰ অনুভূতি আৰু চিন্তাবোৰ গোটা গোটা, বলিষ্ঠ। সুস্পষ্ট সীমাৰেখাৰে আবৃত। পানীত তিতি নৰম আৰু তুলতুলীয়া গেলেপা লগা দ'ম এটা নহয়। ভৰিৰ তলত তেওঁৰ কঠিন মৃত্তিকা।

শুকান বস্তু কাক কয় আলিমুদ্দিনে একপ্ৰকাৰ পাহৰি গৈছে। পানী, পানী, পানী। চোতালত পানী, ঘৰৰ ভিতৰতো পানী। দেহতো তিতিছেই, মনো তিতি গৈছে। ঘৰত পানী, পথাৰত পানী, মনত পানী। সকলো গেলি পচি গৈছে, চিন্তাবোৰো গেলি পচি বিয়পি গৈছে।

আৰু বোকা। মানুহৰ লগে লগে সকলো ঠাইতে গৈ আছে। এৰাই যোৱাৰ উপায় নাই। পৃথিৱীখনেই জেলুকীয়, লেতু-সেতু ঘোলা আৰু পঙ্কময়। য'তেই ভৰি দিয়া যায় তাতেই ভৰিখন পোত যায়। বুৰবুৰকৈ বুৰবুৰণি উঠে। প্ৰত্যেকটো খোজ দিয়াৰ লগে লগে বোকাই চাৰিওপিনৰ পৰা হেঁচামাৰি ওপৰেদি বিয়পি গৈ ভৰিখনক যেন গিলি খোৱাৰ চেষ্টা কৰে। জোৰকৈ ভৰিখন এৰুৱাই আনিব লাগে। শোহা মৰাৰ দৰে শব্দ হয়। খোজে প্ৰতি অথন্তৰ। প্ৰথমতে প্ৰত্যেক পদক্ষেপতে ভৰিৰ লগতে চটাচটাকৈ ঘৰৰ মজিয়াৰ মাটি উঠি আহে। ভৰিৰ আকাৰ দ্বিগুণ হৈ যায়। আচৰিত হৈ অলপ সময় চাই থাকিবৰ মন যায়। এইটো হ'ল প্ৰথম অৱস্থাৰ কথা। পিছত ঘৰৰ

ভিতৰত পানী সোমালে ঘৰৰ মজিয়াও তুলতুলীয়া নৰম হয়। ৰ'দ উঠিলে চাৰিওপিনে বুৰবুৰণি উঠে। অলপকৈ ডুবি থকা ঠাইৰ পানী গৰম হৈ যায়। ভৰি দিলে চেংচেঙাই যায়।

পোক, সাপ, বেং। কিমান চাবা ? ক'লা ক'লা পোকবোৰ বুলেটৰ দৰে তীব্ৰ গতিৰে জলপৃষ্ঠৰ ওপৰেদি ঘূৰাঘূৰি কৰে, বৃত্তাকাৰে পাক খায়। আৰু কেঁচু। অসংখ্য বোন্দা কেঁচু। ক'লা ক'লা বিৰাট আকাৰৰ। ঘৰৰ মজিয়াত ভৰি পাতিবৰ ঠাই নাই। ভৰি লাগিলে কিলবিল কৰি উঠে। গা বিজবিজাই যায়। যত্ন সহকাৰে নিয়াৰিকৈ কামখিনি শেষ কৰি আলিমুদ্দিনে সপ্ৰশংস দৃষ্টিৰে নিজে কৰা কামখিনি চালে। তক্তাপোচৰ ওপৰত মাটিৰ ধাপ এটা বান্ধি তাৰে ওপৰত টিন এছটা পাতি তিনি ডোখৰ ইটাৰ টুকুৰাৰে চৌকা এটা সজাই দিছে। বচ্। যিমান ইচ্ছা ৰান্ধা ভাত। পানীয়ে কি কৰে ? কিন্তু তেওঁৰ আত্মতুষ্টি ক্ষণস্থায়ী। পৰিবাৰে সুধিলে - "ভাত ৰান্ধে কিহেৰে ? খৰি ক'ত ?"

যেন কাৰোবাৰ এটা ইঙ্গিতত পূব ফালৰ গোটেই বেৰখনৰ মাটিখিনি একেলগে জপঙকৈ খহি পৰিল। ল'ৰাজনে চিঞৰি উঠিল। আনন্দ প্ৰকাশ কৰা বুলি ভুল কৰি আলিমুদ্দিনে ঠাচ, কৰে তাক এটা চৰ সোধাই দিলে। আলিমুদ্দিনৰ পৰিবাৰৰ প্ৰচণ্ড খং উঠিলেও খং প্ৰকাশ নকৰিলে। কেতিয়া মনে মনে থাকিব লাগে আৰু কেতিয়া খং প্ৰকাশ কৰিব লাগে তেওঁ জানে। ভাত ৰান্ধিবৰ কাৰণে জুই জ্বলাব নোৱাৰিলেও চকুদুটা তেওঁৰ মুহূৰ্তৰ কাৰণে জুইৰ দৰে জ্বলি উঠিল।

এক ডোখৰ শুকান খৰি নাই। খৰি খেৰ তিতি ঢেপ্‌ঢেপীয়া হৈ আছে। ভাত যে ৰান্ধিব, চাউল ক'ত ? ইহঁতে ঘৰতে ধান বানি খায়। ধান যিখিনি ঘৰত আছে সিখিনিও তিতি টেপ্‌টেপীয়া হৈ আছে। ধান শুকুৱাবৰ ঠাই নাই। শুকুৱালেও নো কি ? ঢেঁকী তিনি হাত পানীৰ তলত। নেচন্যাল হাইওৱেৰ কাষত থকা মানুহৰ জীয়াৰী বোৱাৰীয়ে ৰ'দ দিলে বাটত মেলি দি ধান শুকুৱায়। ওলোটাই পালটাই দিয়ে। একেবাৰে গাৰ কাষত আহি হৰ্ণ বজাই দিয়াত অনভ্যস্ত ভঙ্গীত জাপ মাৰি উঠে। ট্ৰাক ড্ৰাইভাৰ আৰু

হেন্দিমেনে মজা পাই হাঁহে। তিৰোতাবোৰে আধা খং আৰু আধা লাজ মিহলাই মুখ ঘূৰাই জানান্তিকে গালি পাৰে - “মৰা, হতচিৰীযোৱা”।

খঙতে পাকমাৰি ওলাই যাবলৈ গৈ ঘিণতে আলিমুদ্দিনে জাপমাৰি পিছুৱাই আহিল। খোৱাবোৱা যেনতেন। আলিমুদ্দিনৰ পৰিবাৰৰ হৈছে আৰু এক জ্বালা। তেওঁৰ লাজ অলপ বেছি। পাইখানা পেচাব চেপি নো মানুহে কিমান দিন থাকিব পাৰে।

অলপ অচৰপ গোন্ধ হ’লে কথা নাছিল। এইবোৰ থাকেই। গোবৰৰ গোন্ধ, ধানসিজোৱা গোন্ধ। পানীত জহ দিয়া মৰাপাটৰৰ গোন্ধ ওলায়। আগতে যেনতেন। পানী শুকাবলৈ ল’লে যিটো গোন্ধ সিটো সহ্য কৰা ইহঁতৰ কাৰণেও টান। গোবৰে বিষ্ঠাই একাকাৰ। ঘাঁহ-বন পচি দুৰ্গন্ধ ওলায়। চাৰিওফালে মৰা সাপ বেং কেঁচু সিচৰিত হৈ থাকে।

অৱশ্যে এইবোৰ একো কথাৰ কথা নহয়। বানপানী বছৰি আহে। ইহঁতেও কষ্ট ভোগ কৰে। কিন্তু উপায় কি ? এয়েই জীৱন।

পিছে এইবেলি চিন্তা হৈছে বেলেগ কাৰণে। গাওঁৰ পশ্চিম ফালে মথাউৰিৰ অৱস্থ বেয়া। কেতিয়া ছিঙে ঠিক নাই। আলিমুদ্দিনে নিজ চকুৰে চাই আহিছে। মথাউৰিৰ কথা সিহঁতে বুজি নাপায়। বৈজ্ঞানিকৰ কথা, ইন্‌জিনিয়াৰৰ কথা। ডাঙৰ মানুহৰ ডাঙৰ কথা। ডাঙৰ মানুহৰ লগত আলোচনা কৰি ডাঙৰ বিষয়াই ঠিক কৰা কথা। কোনোবা ঠাই এডোখৰৰ উন্নতি মানে আলিমুদ্দিনৰ উন্নতি বুলি কোনে কৈছে ? এইবোৰ হ’ল আৰু ডাঙৰ কথা। সাধাৰণ মানুহে বুজি পোৱা কথা নহয়। নিয়ামত বুঢ়াৰ ভুৰা পৰ্যন্ত পকি গৈছে। গাওঁৰ মানুহে কয় বুঢ়াই পানীৰ নাড়ী নক্ষত্ৰ জানে। গাঁৱৰ মানুহে বহুত কথা জানে বুলি ভাবে। ভাৰতৰ প্ৰধান মন্ত্ৰীৰ নাম সুধিলে কব পাৰিব নিয়ামত বুঢ়াই ? ভাৰতৰ কথা বাদ। অসমৰ মুখ্য মন্ত্ৰীৰ নাম পাৰিব ? মুখ্যমন্ত্ৰী বস্তুটো নো কি? মণ্ডল নে দাৰোগা নে কিবা এবিধ যন্ত্ৰ ? এইয়েতো হ’ল নিয়ামত বুঢ়াৰ জ্ঞান, এই হ’ল তাৰ বুদ্ধি। এই বুদ্ধি লৈ বুঢ়াই মথাউৰি বন্ধাৰ প্ৰক্ৰিয়াৰ সমালোচনা কৰে।

বালিৰ বান্ধ নিদি কিহৰ দিব ? সোণৰ ? ইমান বিৰাট মথাউৰিৰ দুয়োটা ফালে টাফিং কৰা মুখৰ কথা ? কাম কি হৈছে জানিবলৈ হলে টকা

কিমান খৰচ হৈছে তাৰ হিচাব লোৱা। টকাৰ হিচাব ললেই কামৰ হিচাব স্বয়ংক্ৰিয় ভাৱে তৎক্ষণাৎ ওলাই পৰিব। এইটোৱেই হ'ল সহজ উপায়।

কাম হৈছে। পৰ্বত প্ৰমাণ মথাউৰি বন্ধা হৈছে। দৃষ্টিশক্তি যাৰ আছে সিয়েই দেখিব। সাৰ্থক সৃষ্টি। চীনৰ প্ৰাচীৰৰ নবতম সংস্কৰণ। চীনৰ প্ৰাচীৰৰ ওপৰেদি হেনো ছজন মানুহে ঘোঁৰাত উঠি শাৰী বান্ধি যাব পাৰে। ঘোঁৰা আনা, ঘোঁৰাত উঠিব পৰা মানুহ আনা। মথাউৰিৰ ওপৰেদিও যাব পাৰে নে নাই চোৱা। এনেকুৱা মথাউৰি ছিঙিলে কি কৰা যাব ?

গাওঁৰ অশিক্ষিত মানুহে কোনো বৈজ্ঞানিক ব্যৱস্থাক সহজ ভাৱে গ্ৰহণ কৰিব নোৱাৰে। চলি থকা ব্যৱস্থাটোৱেই ভাল। নতুন কিবা কৰিলে তাৰ দোষ উলিয়াব। নিয়ামত বুঢ়াই কয়, -

“আগতে নৈৰ গোটেই পাৰ বাগৰি গাওঁত পানী সোমাইছিল। দুই দিনতে আকৌ ওলাই গৈছিল। এতিয়া পানীৰ ওলাই যোৱাৰ বাট নাই। কিবাকৈ এবাৰ সোমালে ওলাই যাবৰ নাম নাই।”

নিয়ামত বুঢ়াৰ মুখত ভাল কথা নাই। খালী অমঙ্গলীয়া কথা। বুঢ়াই কৈ আছে :

“ইবাৰ পানীৰ গঢ়গতি মই ভাল দেখা নাই। কি হয় কব নোৱাৰিছো।”

এইবেলি মথাউৰিৰ অৱস্থা বেয়া। মন্ত্ৰমুগ্ধৰ দৰে আলিমুদ্দিনে আকৌ সিফালে নৈৰ অৱস্থা চাবলৈ গ'ল। বাটত মনটো উচপিচাই আছে। পৰিবাৰক কোবাবৰ নহ'ল। বাৰু, ঘূৰি আহি কোবাব পৰা যাব। চেলু কিবা এটা উলিয়াই ল'লেই হল।

নৈয়ে ফেনে-ফোটোকাৰে ক্ৰুদ্ধ আক্ৰোশত মথাউৰিত খুন্দা মাৰি আছে। যেন এটা প্ৰত্যাহ্বান জবাব দিবলৈ ওলাইছে। মান ইজ্জতৰ কথা। ৰুদ্ধ আক্ৰোশত ফুলি আছে, গৰজি আছে। অবিৰাম, অনন্তৰ। শ্ৰান্তি ক্লান্তি নাই। এবাৰ কায়দা কৰিব পাৰিলে অলপতে নেৰে। গৰু-ছাগলী, ল'ৰা-ছোৱালীক উটুৱাই লৈ যাব। গছ-গছনি উঘালি নিব।

বীৰেশ্বৰ চৌধুৰীৰ নিজৰ কাৰণে চিন্তা নাই। তেওঁৰ সিফালে পানী নাহে। তেওঁৰ চৌহদত পানী সোমাব নোৱাৰে। পানী ওপৰৰ পৰা তললৈ বৈ

আহে। প্ৰাথমিক বিজ্ঞানৰ কথা। তেওঁৰ ঘৰত পানী সোমাব লাগিলে গোটেই অসম ডুব যাব লাগিব। তেতিয়া চৌধুৰীৰো আপত্তি কৰিবৰ উপায় নাই। পিছে তেওঁ নিশ্চিন্ত যে বানপানী তেওঁৰ ঘৰত নোসোমায়। দুৰ্ভেদ্য দুৰ্গ।

আৰে, আৰে, আৰে। কি কাৰ্য্য? মানুহ আৰু মানুহ। পিলপিলকৈ সকলোৱে তেওঁৰ ঘৰৰ পিনে আহি আছে। ল'ৰা, ছোৱালী, বুঢ়া। চটৰ বস্তা আৰু কাপোৰৰ টোপোলা, টিনৰ চুটকেচ , আৰু পিতলৰ কলহ, বালটি আৰু কেৰাহী, ঢাৰি আৰু পাচি, ভগা চাতি আৰু হোকা। এইবোৰ কি কথা ? একপাল অৰ্ধনগ্ন মানুহে তেওঁৰ দুৰ্ভেদ্য দুৰ্গ আক্ৰমণ কৰিবলৈ আহিছে ? আতঙ্কত চৌধুৰীৰ চকুদুটা ঠেলি বাহিৰ হৈ আহিব খুজিলে। শত্ৰুৰ গতি ৰুদ্ধ কৰিবই লাগিব। আতঙ্কত তেওঁ চিঞৰি উঠিলে :

"কি সৰ্বনাশ কাণ্ড ! এই হৰনাথ, কি চাই আছা ? বন্দুক আনা।"

তেওঁৰ পৰিবাৰ ব্যস্ত হৈ উঠিলে।

"পগলা হ'লা নেকি? মথাউৰি ছিঙি গাওঁ ডুব গৈছে। আশ্ৰয় বিচাৰি মানুহে এইপিনে ওখ ঠাইখিনিলৈ আহিছে। অস্থিৰ হৈছা কিয় ?"

ভালকৈ বাহিৰৰ ফালে চাই চৌধুৰীয়ে অসন্তোষ প্ৰকাশ কৰিলে।

"সোধা পোছ নাই, পিল পিলকৈ এনেভাৱে মানুহে চৌহদত সোমাই আহিলেই হ'ল নে ?"

পিছে তেওঁৰ একো কৰিবৰ উপায় নাই। গাওঁৰ মানুহৰ অনুমতি নোলোৱাকৈ নৈৰ পানী যেনেকৈ গাওঁত সোমাইছে, মানুহেও তেনেকৈ তেওঁৰ অনুমতি নোলোৱাকৈ তেওঁৰ চৌহদত সোমাইছে।

মানুহ আহিয়েই আছে। আৰু, আৰু। একোটা একোটা দলত গোট খাই সিহঁত চৌধুৰীৰ ঘৰৰ চাৰিওপিনে সিচৰিত হৈ থাকিল।

ভাল ভাৱে অৰ্থাৎ চৌহদ লেতেৰা নকৰাকৈ থাকিবলৈ সকীয়াই দিবৰ উদ্দেশ্যে চৌধুৰী ওলাই গ'ল। কিন্তু বেকুবৰ দৰে কাকো একো নোকোৱাকৈ দ্ৰুতবেগে আকৌ ঘৰত সোমাই আহিল।

আগৰে পৰা কোনো সঙ্কেত নিদিয়াকৈ হঠাতে আলিমুদ্দিনৰ পৰিবাৰে চিঞৰি কান্দি উঠিল :

"মুজীব অ'। মোৰ বাপ অ'।

মোক এৰি থৈ ক'ত গলি অ' ? নৈয়ে তোক এৰি মোক কিয় নিনিলে অ' !"

বীৰেশ্বৰ চৌধুৰী উৰ্দ্ধশ্বাসে আকৌ ঘৰত সোমাই আহিল।

ৰাতি হ'ল। আন্ধাৰ হ'ল। কিছু সময়ৰ মূৰত জোনো উঠিল। মানুহবোৰক বীৰেশ্বৰ চৌধুৰীয়ে স্পষ্টকৈ দেখা নাপালে। এক পাল অজ্ঞাত জন্তুৱে তেওঁৰ অবৰুদ্ধ হৈ থকা যেন বোধ হ'ল। ইহঁতৰ চালচলন, স্বভাৱ প্ৰকৃতি সকলে তেওঁৰ অজ্ঞাত। পানী আৰু বোকাৰ মাজৰ পৰা উঠি অহা এক পাল প্ৰাগৈতিহাসিক জন্তু। অস্পষ্ট পোহৰত এই জন্তুবোৰৰ চেহেৰা পাতি কেনেকুৱা তাকো ভালকৈ ধৰিব নোৱাৰি।

মুকলি আকাশৰ তলত কি কৰি আছে এই জন্তুবোৰে ? খাইছে ? মলমূত্ৰ ত্যাগ কৰিছে ? যৌন সঙ্গমত লিপ্ত হৈ আছে। অস্পষ্ট পোহৰত চৌধুৰীয়ে সঠিক ভাৱে একোৱেই ধৰিব নোৱাৰিলে। তেওঁৰ ধাৰণাটো ক্ৰমাৎ বদ্ধমূল হৈ যাবলৈ ধৰিলে। এক পাল জন্তুৱে চাৰিওফালৰ পৰা তেওঁক অৱৰোধ কৰি আছে। মাজৰাতি ঘৰৰ ভিতৰত থিয় হৈ অজ্ঞাত আতঙ্কত বীৰেশ্বৰ চৌধুৰীয়ে কঁপিবলৈ আৰম্ভ কৰিলে।

নতুন প্ৰৱাহ : ১৮৯৪ শক।

---

সমাপ্ত

---

# সমাপ্তি

ব্লগ অসম (blogasom.blogspot.com) ৰ দ্বাৰা প্ৰকাশিত।

প্ৰকাশ : ৩০-০৩-২০২০

এই গ্ৰন্থখনৰ লগত জড়িত যিকোনো বিষয়ৰ বাবে নাইবা অসমীয়া ই-কিতাপ সংক্ৰান্তীয় অন্যান্য বিষয়ৰ বাবে অনুগ্ৰহ কৰি “nibirborpuzari@gmail.com” ত যোগাযোগ কৰক। অসমীয়া ই-কিতাপৰ প্ৰসাৰ আৰু প্ৰচাৰত সহায় কৰাৰ বাবে ধন্যবাদ।